# চতুর্থ অধ্যায়

# ৪.০০ অসমৰ লোকপৰিৱেশ্য কলাত কীৰ্তন ঘোষাৰ প্ৰভাৱ

## ৪.০১ পৰিৱেশ্য কলাৰূপে কীৰ্তন-ঘোষা ঃ

পৰিবেশ্য কলা অৰ্থাৎ 'গীত-নৃত্য-অভিনয় আৰু অন্য পক্ষৰ আগত প্ৰদৰ্শন কৰিব পৰা কলা' সমূহৰ চেতনা মানৱ সমাজত আদিম অৱস্থাৰ পৰাই আছিল। সঙ্গীত কলাই মানৱ সমাজৰ সূক্ষ্মতম বিন্দুৰ পৰা প্ৰায় সকলো ক্ষেত্ৰতে বিশাল ভূমিকা প্ৰত্যক্ষ বা পৰোক্ষৰূপে গ্ৰহণ কৰি আহিছে। লোকপৰিৱেশ্য কলা লোকজীৱনৰ এৰাব নোৱাৰা বিশিষ্ট অংগ। পৰম্পৰাগত পৰিৱেশ্য কলাসমূহে একোটা জাতিৰ জাতীয় চৰিত্ৰ নিৰূপণ কৰে। সংগীত নৃত্য নাটক ইত্যাদি সমূহ এই কলাৰ ভিতৰত পৰে। সাধাৰণভাৱে এই কলাক বিনোদনৰ বিষয় বুলি মানি লোৱা হ'লেও সূক্ষ্ম দৃষ্টিভঙ্গীৰে ই গভীৰ অনুশীলনযুক্ত বিদ্যায়তনিক বিষয়। পৰিৱেশ্য কলাৰ মাধ্যমেৰে মানৱ হৃদয়ৰ সৌন্দৰ্যবোধ তথা নান্দনিক অনুভূতিসমূহে প্ৰকাশ লাভ কৰে। নৃত্য, গীত, নাট, সুকুমাৰ কলাসমূহ যেতিয়া মানুহে নাচি, সুৰেৰে গাই, অভিনয় কৰি দৃশ্য-শ্ৰব্য ৰূপত পৰিৱেশন কৰে, তেতিয়াই এই সমূহে পৰিৱেশ্য কলাৰ মৰ্যাদা লাভ কৰে। পৰিৱেশ্য কলাৰ দুটা ৰূপ পোৱা যায়- এটা লোক আৰু আনটো শাস্ত্ৰীয়। মানুহে আদিম কালৰে পৰা প্ৰকৃতিৰ সন্তুষ্টিৰ অৰ্থে বিভিন্ন কল্পিত দেৱ-দেৱীক নানা অঙ্গি-ভঙ্গীযুক্ত নৃত্যৰে নাইবা গীত-অভিনয়ৰ মাধ্যমেৰে উপাসনা কৰি আকাংক্ষিত ইচ্ছাৰ কথা ব্যক্ত কৰিব বিচাৰে নাইবা প্ৰকৃতিৰ প্ৰতি আকৰ্ষণ, আতংক আদি ভাৱৰ বাবে অথবা মনৰ আবেগ প্ৰকাশৰ বাবে নৃত্য-গীত আদিৰ সহায় লয়। গতিকে লোক-পৰিৱেশ্য কলাত প্ৰকৃতিৰ প্ৰতি ভীতিৰ পৰা জন্ম হোৱা উৰ্বৰতাজনিত বিবিধ লোকাচাৰ, ধৰ্মীয় পৰম্পৰা, মনোৰঞ্জনশীল কৰ্মস্পৃহা বঢ়াব পৰা গীত-নৃত্য-নাটৰ সমষ্টিয়ে বিশিষ্ট স্থান অধিকাৰ কৰি আহিছে। একে ধ্যান-ধাৰণা, বিশ্বাস, সংস্কাৰ তথা সামূহিক নিয়মৰ অধীনত থকা কোনো লোকসমষ্টিয়ে লোকজীৱনৰ পৰিচয় বহন কৰে। লোকজীৱনত পৰিৱেশ্য কলাৰ স্থান বিশিষ্ট। এই কলা মুকলি, শিথিল ৰীতিৰ আৰু পৰিৱৰ্তনশীল আনহাতে, পৰিবেশ্য কলাৰ শাস্ত্ৰীয় ৰূপটো দৃঢ় ৰীতিৰে আবদ্ধ।

ভাৰতীয় সঙ্গীতৰ ইতিহাস অতি পুৰণি। আদিম সমাজৰ ক্ৰমশঃ সাংস্কৃতিক উত্তৰণ ঘটাৰ সময়ৰ পৰা মুখে মুখে সৃষ্টি হোৱা লোক সঙ্গীতৰ ধাৰাটোয়ে প্ৰাথমিক স্তৰৰ সঙ্গীত। মন্ত্ৰ আদি মৌখিক পদৰ বৈদিক যুগৰে সাংগীতিক পৰম্পৰা। মৌখিক পৰম্পৰাৰ লোকসঙ্গীত আৰু বেদাদি শাস্ত্ৰত প্ৰাপ্ত নিয়মাবদ্ধ শাস্ত্ৰীয় সঙ্গীতকে ভাৰতীয় সঙ্গীত ইতিহাসৰ দুটা মূল স্তৰ বুলিব পাৰি। পঞ্চদশ-ষোড়শ শতিকাৰ সময়চোৱাত ভাৰতবৰ্ষত বিশাল ধৰ্মীয় নৱজাগৰণৰ সূত্ৰপাত হৈছিল। এই সময়চোৱাত ভাগৱত

পুৰাণৰ আশ্ৰয় লৈ এজন ঈশ্বৰ আৰধনাৰ বৈষ্ণৱ ধৰ্মৰ বিকাশ ঘটিছিল। ঈশ্বৰ আৰধনাৰ মাধ্যম হিচাপে ভক্তি সঙ্গীতে জনপ্ৰিয় মাধ্যমৰ স্থান লৈছিল। দক্ষিণ ভাৰত আৰু উত্তৰ ভাৰতত দুটা পৰ্যায়ত সঙ্গীতে বিকাশ লাভ কৰিছিল। দক্ষিণ ভাৰতৰ আলৱাৰ ভক্ত সকলে ভক্তিসঙ্গীতক প্ৰাধান্য দি বৈষ্ণৱ ধৰ্মক প্ৰতিষ্ঠা কৰিলে। পঞ্চদশ শতিকাৰ ভক্তি ধৰ্মৰ সঙ্গীতৰ মাধ্যমেৰে প্ৰতিষ্ঠা কৰাত সফল হোৱা শ্ৰেষ্ঠতম সাধকগৰাকী হ'ল শঙ্কৰদেৱ। শঙ্কৰদেৱে নৱবৈষ্ণৱ ধৰ্মক নৃত্য-গীত-বাদ্য-অভিনয়ৰে জনমুখী কৰি তুলিছিল। তেওঁৰ সমসাময়িক সৰ্বভাৰতীয় স্তৰৰ এনে সঙ্গীত অনুৰাগী সকল আছিল বিদ্যাপতি, কবীৰ, নানক, সুৰদাস, তুলসীদাস, মীৰাবাঈ আদি। এওঁলোকে সঙ্গীতক ভক্তি সাধনাৰ মাধ্যম হিচাপে লৈছিল। কীৰ্তন-ঘোষাতে শঙ্কৰদেৱে ভাৰতীয় সঙ্গীতৰ প্ৰাচীন ৰূপটোৰ ইংগিত দিছে।

ভৈলাহা নাৰদঋষি নামে অৱতাৰ।
পাঞ্চৰাত্ৰ নামে তন্ত্ৰ কৰিলা প্ৰচাৰ।।
যাক আচৰিলে মহামোক্ষ পদ পায়।
হৰিৰ কীৰ্তন কৰি ফুৰে বীণা বাই।।১৬ (১ম কীৰ্তন)

বিভিন্ন জাতি-গোষ্ঠী আৰু পৃথক আৰ্থসামাজিক অৱস্থিতিয়ে মধ্যযুগীয় সামন্তবাদী সমাজখনত বিচ্ছিন্নতাবোধৰ সৃষ্টি কৰিছিল। ধৰ্মৰ নামত, ৰাজকীয় শাসনৰ নামত সংকীৰ্ণতাই পোখা মেলিছিল। গতিকে শঙ্কৰদেৱৰ আদৰ্শ আছিল কলামুখী। তেওঁ গ্ৰহণ কৰা শ্ৰৱণ-কীৰ্তনৰ প্ৰসঙ্গই গীত, বাদ্য আৰু নৃত্যৰ সমন্বয়াত্মক সংগীত কৰ্মৰ যোগেদি সমাজত এটা ঐক্যমুখী সাংস্কৃতিক চেতনাৰ গঢ় দিয়াত যথেষ্ট পৰিমাণে সহায় কৰিলে। কীৰ্তনৰ পাঠ প্ৰসঙ্গত ইয়াৰ মাজত নিহিত সঙ্গীততত্ত্বৰ দ্বাৰা সৰ্বসাধাৰণ সহজে আকৃষ্ট হয় আৰু পদাংশত নিহিত তত্ত্ব উপযুক্ত ব্যাখ্যাকাৰীয়ে বুজাই নিদিলে সহজে বোধগম্য নহয়। কীৰ্তন-ঘোষা প্ৰকৃততেই গেয় পাঠৰ ধৰ্মীয় গীতি-কবিতা। সংগীত প্ৰেমী চণ্ডীবৰ আদিয়ে গান্ধৰ্ব গান আৰু ৰাগ সংগীতৰ পৰম্পৰা বহন কৰি অনাটো সম্ভৱপৰ। শঙ্কৰদেৱৰ পৰিয়ালত পৰম্পৰাগত ভাৱে সংগীতৰ চৰ্চা-অনুশীলন শক্তিশালী ৰূপত প্ৰচলিত আছিল। গতিকে পৰৱৰ্ত্তী সময়ত শঙ্কৰদেৱে ধৰ্ম প্ৰচাৰৰ শৈল্পিক আহিলা হিচাপে বিচিত্ৰ গায়নশৈলীক গ্ৰহণ কৰিলে। পাছলৈ সহযোগী শিষ্য মাধৱদেৱেও নামঘোষা ৰচনাৰ মাধ্যমেৰে শ্ৰৱণ-কীৰ্তন প্ৰক্ৰিয়াৰে ভগৱান আৰধনাৰে মুক্তি প্ৰাপ্তিৰ পথ নিৰ্দিষ্ট কৰিলে। প্ৰশিক্ষিত জনৰ বাহিৰেও অন্য ভক্তসকলেও কীৰ্তন চৰ্চা কৰি অহাৰ বাবে স্থান বিশেষে সুৰ আৰু ৰাগৰ

তাৰতম্য লক্ষ্য কৰা যায়। নীৰস শাস্ত্ৰতত্ত্ব সৰল আৰু লোকমনোৰঞ্জনশীল ভাৱে বিশিষ্ট সুৰত গোৱাৰ ৰীতিয়ে কীৰ্তন-ঘোষাক অভিনৱত্ব প্ৰদান কৰিছে।

অসম তথা ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ পৰিৱেশ্য কলাৰ ঐতিহ্য এক গুৰুত্বপূৰ্ণ বিষয়। প্ৰাচীন কালৰে পৰা অসমত সুৰুচিপূৰ্ণ সুকুমাৰ কলাৰ প্ৰচলন আছিল। লোকগীত, লোকনৃত্য, লোকনাট্যৰ বিবিধ সমাহাৰেৰে অসমীয়া সমাজ সমৃদ্ধ। এইসমূহৰ উপযুক্ত ব্যৱহাৰ কৰিবলৈ সক্ষম হৈছিল মধ্যযুগীয় বিশিষ্ট ধৰ্মনেতা শ্ৰীমন্ত শঙ্কৰদেৱ। সমসাময়িক সমাজৰ অজ্ঞতা, ধৰ্মীয় বিশৃংখলতা, সামাজিক বৈষম্যৰ এক অস্বস্তিকৰ পৰিৱেশত শঙ্কৰদেৱে কৌশলপূৰ্ণ দূৰদৰ্শিতাৰে পৰিবেশ্য কলাৰ প্ৰয়োগেৰে সমতাৰ বাণী বিলাবলৈ সক্ষম হৈছিল আৰু গুৰি ধৰিছিল এক বিশাল ধৰ্মীয়-সাংস্কৃতিক নৱ-জাগৰণৰ। ভক্তি ৰসসিক্ত কৰি পৰিবেশ্য কলাক এক ধৰ্মীয় পৰিবেশত পুষ্ট হ'বলৈ সুযোগ দি বিশাল জাতীয় জাগৰণ সম্ভৱ কৰি তুলিছিল। পৰিবেশ্য কলাক শক্তিশালী ৰূপত উপস্থাপনৰ ৰীতিৰে শঙ্কৰদেৱে সমাজৰ গতি সলনি কৰি দিবলৈ সক্ষম হৈছিল।

শঙ্কৰদেৱে প্ৰয়োগ কৰা পৰিৱেশ্য কলাৰ ঘাই ভাগ হ'লঃ- নাট, নৃত্য, গীত। তেওঁ সৃষ্টি কৰা নামপ্ৰসঙ্গৰ পৰিৱেশনো পৰিৱেশ্য কলাৰ গুণেৰে সমৃদ্ধ। গীত হ'ল ভাষা অৰ্থাৎ শব্দৰ মাধ্যমেৰে কৰা এক বিশিষ্ট কলাত্মক প্ৰকাশ। শঙ্কৰদেৱে বৰগীত টোটয়, চপয়ৰ উপৰিও নামপ্ৰসঙ্গমূলক গীতৰ উপযোগীকৈ কীৰ্তন-ঘোষা, গুণমালা ৰচনা কৰি সংগীত কলাক অনন্য মাত্ৰা প্ৰদান কৰিলে। শঙ্কৰদেৱে প্ৰৱৰ্তন কৰা সঙ্গীতৰ পৰিৱেশন ৰীতিলৈ লক্ষ্য কৰিলে ইয়াৰ মাজত নিহিত থকা সূক্ষ্ম পৰিৱেশ্য কলাসুলভ গুণৰ বিশিষ্টতা ধৰা পৰে।

মানুহ সংগীত প্ৰিয়। চিন্তাবিদসকলে গৱেষণা কৰি উলিয়াইছে যে সংগীত কলাই মানুহৰ শ্ৰৱণেন্দ্ৰিয়কে আদি কৰি সম্পূৰ্ণ মানসিক অৱস্থিতিক সকলোধৰণৰ দুঃচিন্তাৰ পৰা মুক্ত কৰি বিশেষ ধৰণৰ সতেজতা আৰু আনন্দদায়ক অনুভূতি প্ৰদান কৰে। সংগীতকলাৰ এই আন্তঃগুণৰ বাবে ই মানৱ সমাজৰ চৰিত্ৰ ভদ্ৰ, নম্ৰ আৰু সদাচাৰপূৰ্ণ হোৱাৰ দিশত যথেষ্ট সহায়ক বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। সংগীত কলাৰ এই শক্তি শঙ্কৰদেৱে বহু আগেয়েই হৃদয়ংগম কৰিছিল। গতিকে সাত্ত্বিক আৰু ধৰ্মীয় সূক্ষ্ম অনুভূতি সমূহ অনাখৰী সমাজখনৰ হাড়ে-হিমজুয়ে বিয়পাই দিবৰ নিমিত্তে শংকৰদেৱে সংগীত কলাৰ সাৰ্থক প্ৰয়োগ কৰিছিল। ধৰ্মীয় অনুভূতিপূৰ্ণ কৰি সংগীতকলাক উচ্চ স্থান প্ৰদানৰ সচেতন প্ৰয়াস কীৰ্তন-ঘোষাৰ পাঠ আৰু নাম প্ৰসঙ্গ অনুষ্ঠানত সুন্দৰভাৱে প্ৰত্যক্ষ কৰা যায়। পূৰ্ণভাৱে গীত

বাদ্যৰ প্ৰয়োগ আৰু আংশিকভাৱে নৃত্যৰ প্ৰয়োগেৰে শঙ্কৰদেৱে কীৰ্তন-ঘোষাৰ শ্ৰৱণ-কীৰ্তন অনুষ্ঠান সাত্ত্বিক ৰসপূৰ্ণ কৰি তুলিছিল। পূৰ্ণভাৱে গীতবাদ্যৰ প্ৰয়োগৰ বিষয়ে এই কাৰণে কোৱা হৈছে যে কীৰ্তন পুথি গোৱাৰ উপযোগীকৈ ছন্দোবদ্ধভাৱে গীত সদৃশকৈ ৰচনা কৰা হৈছে। এই পুথি ব্যক্তিগত আৰু ৰাজহুৱা স্থানত প্ৰধানতঃ নাম-কীৰ্তন প্ৰসঙ্গত ব্যৱহাৰ কৰা হয়। কীৰ্তন-ঘোষাৰ সাত্ত্বিক পাঠ প্ৰসঙ্গ কৰা হয় বিশিষ্ট সুৰৰ মাধ্যমেৰে। তদুপৰি নাম প্ৰসঙ্গৰ ক্ষেত্ৰত হাতচাপৰিৰে সংগত কৰা তালবাদ্য প্ৰয়োগ হয়। গতিকে কীৰ্তন-ঘোষাৰ পৰিবেশনক লোকপৰিৱেশ্য কলাৰ অন্যতম বিভাগ সংগীতৰ অৰ্ন্তভুক্ত কৰিব পাৰি। অন্যহাতেদি শিশুলীলা, ৰাসক্ৰীড়া আদি খণ্ডত নৃত্যকলাৰ বিৱৰণ পোৱা যায়। এই কথাই কীৰ্তন-ঘোষাৰ লগত লোকপৰিৱেশ্য কলাৰ নৃত্যকলা বিভাগৰ আভ্যন্তৰীণ যোগসূত্ৰৰ সামান্য ইংগিত দিয়ে। গুৰু চৰিত পুথিত ৰামৰাম গুৰুয়ে কীৰ্তনৰ কংসবধৰ পদ মাতি ভক্তি প্ৰেমত নিমজ্জিত হৈ নৃত্যভংগিমাত কীৰ্তন-গৃহৰ টুপৰ খুটা উভালি তিনিপাক ঘুৰাৰ কথা উল্লেখ আছে।[ক] তদুপৰি নাম-কীৰ্তনৰ সময়ত কীৰ্তন-সুৰৰ তালে তালে হাতচাপৰি বাই কৰা শৰীৰ সঞ্চালনক নৃত্যভঙ্গিমাৰ সূক্ষ্ম প্ৰকাশ বুলি ভাবিবৰ থল আছে। নামৰ ভৰপক অৱস্থাত ভকতে উঠি চাপৰি বা তালবাদ্যৰ চেৱত নৃত্য কৰাও দেখা যায়।

ভাৰতীয় ৰাগ সংগীতৰ বিকাশৰ সময়চোৱাত অসমীয়া সমাজত সংগীত সাধনা শ্ৰেষ্ঠতম ৰূপত ধৰ্মীয় পৰিৱেশত আগবঢ়াই নিয়াত সফল ভূমিকা গ্ৰহণ কৰিছিল শ্ৰীমন্ত শঙ্কৰদেৱ আৰু তেওঁৰ প্ৰিয়শিষ্য মাধৱদেৱে। কীৰ্তন-ঘোষাৰ সংগীত পৰিৱেশন ৰীতিয়ে সমাজত বিশিষ্ট প্ৰভাৱ পেলাবলৈ সক্ষম হৈছিল সেইবাবেই কীৰ্তন-ঘোষাৰ পৰিবেশনত ব্যৱহৃত হোৱা বাৰে বাৰে দোহৰা "হৰি ৰাম ৰাম ৰাম" পদাংশ বৰগীত পৰিবেশনৰ সময়তো গায়কে গীত আৰম্ভ কৰাৰ আগতে 'হৰি ৰাম' বা ও হৰি' বুলি দীঘলীয়াকৈ সুৰ টানি গাই লৈ ভগৱানক নমস্কাৰ কৰি লয়।

শঙ্কৰদেৱৰ সম-সাময়িক সমাজখনে এক সহজ-সৰল মনোৰঞ্জনশীল তথা ধৰ্মীয় উপাদানেৰে ভৰপূৰ পৰিবেশ্য কলাৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰাৰ কাৰণ হিচাপে সমসাময়িক সমাজ ব্যৱস্থাত সামাজিক, ৰাজনৈতিক তথা অৰ্থনৈতিক বিভাজন আৰু অন্যান্য স্পৰ্শকাতৰ বিষয়ে আনিদিয়া শ্ৰেণী বৈষম্যবাদ অথবা ধৰ্মীয় অস্থিৰতা আৰু এইবোৰে সৃষ্টি কৰা মানসিক অৱসাদ বুলি ভাবিব পাৰি। সকলো স্তৰৰ মানুহৰ মনস্তত্বক একেডাল সূত্ৰৰে, গাঁথিবলৈ কীৰ্তন-ঘোষাৰ পৰিবেশন প্ৰক্ৰিয়াত অৰ্থাৎ শ্ৰৱণ-কীৰ্তন

**প্ৰসংগটোকা (ক)ঃ** ...আৰু একদিনা ৰামৰাম গুৰু ওজা গাইছিল কংসবধৰ পদঃকুবলইৰ দন্ত উভৰা পদ মাতিএ কীৰ্তন গৃহৰ টুপৰ খুটাটো উৎপাৰি লৈ ফুৰিলে তিনিপাক।।১৪৬।। (মহেশ্বৰ নেওগ (সম্পা.)ঃ *গুৰু চৰিত কথা*, পৃ. ৪৪)

মনোগ্ৰাহী হ'ব পৰাকৈ শঙ্কৰদেৱে লোক পৰিবেশ্য কলাৰ আকৰ্ষণীয় গুণসমূহ প্ৰয়োগ কৰিছিল। গতিকে নামপ্ৰসঙ্গমূলক অনুষ্ঠানসমূহো লোকপৰিৱেশ্য কলাৰ গুণেৰে সমৃদ্ধ হৈ পৰিল।

শঙ্কৰদেৱে এই পৰিৱেশ্য কলাসমূহৰ চৰ্চা কেন্দ্ৰ স্বৰূপে প্ৰতিষ্ঠা কৰা নামঘৰত সমূহীয়া উপাসনাৰ বাবে কীৰ্তন-ঘোষাৰ ঘোষা-পদ সমস্বৰে গোৱাৰ নিয়ম কৰিছিল। সেইদৰে নামঘৰত অঙ্কীয়া নাট-ভাওনাৰ অভিনয়, বৰগীতৰ চৰ্চা, নৃত্যৰ চৰ্চা, খোল-তাল আদিৰ বাদনৰ চৰ্চা প্ৰায় নিয়মিত ৰূপত হৈ থাকিছিল। নাম-প্ৰসঙ্গৰ উপযোগীকৈ ৰচনা কৰা কীৰ্তন-ঘোষাৰ ঘোষা পদক একপ্ৰকাৰ গীত আখ্যা দিব পাৰি। শঙ্কৰদেৱৰ কীৰ্তন আৰু মাধৱদেৱৰ নামঘোষা দুয়োখনি পুথি নামঘৰত অথবা স্বগৃহতো আনুষ্ঠানিক নিয়মেৰে সুৰ লগাই পাঠ কৰা হয়। বাদ্যসঙ্গত কৰিও পাঠ কৰা হয়। গতিকে কীৰ্তন-ঘোষাৰ সুৰ সম্পৰ্কে আলোচনাৰ বিস্তৃত স্থল আছে। ভাৱৰ সঙ্গতি ৰাখি আৰু বিভিন্ন ধৰ্মীয় সামাজিক অনুষ্ঠানসমূহে ভিন্ন ৰীতিৰে কীৰ্তন-পাঠ কৰি আহিছে। প্ৰত্যেক অনুষ্ঠানতে কীৰ্তনৰ সুৰৰ ভিন্নতা লক্ষণীয় বিষয় আৰু ই এক লৌকিক পৰম্পৰাৰ পৰিচায়ক বুলি স্বীকৃতি লাভ কৰিছে। তদুপৰি কীৰ্তন পৰিবেশনৰ সুৰৰ সন্মোহনেহে পুথিখনিক দীৰ্ঘস্থায়ী ৰূপত জনসমাজত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে।

অসমৰ লোকসমাজত নাম প্ৰসঙ্গৰ দ্বাৰা কীৰ্তন-ঘোষাৰ মাধ্যমেৰে শৈক্ষিক তথা আধ্যাত্মিক উত্তৰণ ঘটিছিল। পাছলৈ এই নাম প্ৰসঙ্গৰ নিয়ম সত্ৰসমূহে নিৰ্দিষ্ট ক্ৰমত বান্ধি ল'লে। উক্ত নিয়মসমূহৰ পালনে কীৰ্তন-ঘোষাৰ সাংগীতিক চৰ্চাৰ দিশত যথেষ্ট প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে। সত্ৰৰ চৈধ্যপ্ৰসঙ্গৰ নিয়ম চমুকৈ উল্লেখ কৰা হ'ল—

**পুৱাৰ ভাগঃ (১) দোক-মোকালিৰ তাল কোবোৱা প্ৰসংগ ঃ** সত্ৰৰ এগৰাকী বয়োজ্যেষ্ঠ ভকতে হাতত ভোৰতাল লৈ 'ভকত' বান্ধৱ হৰিবোল, হৰিবোল, হৰিবোল, হৰিবোল' ধ্বনি কৰি তালেৰে এচাপৰ আৰু একেলগে তিনি চাপৰকৈ গীত গায়, গীত শেষ কৰি বহাৰ পৰা উঠি পুনৰ 'ভকত বান্ধৱ হৰিবোল' গাই একে তালতে চাৰিটি ঘোষা তাল বজাই কীৰ্তনঘৰৰ হাটীসমূহ ঘূৰি নিজৰ স্থানলৈ আহে।

(২) **মঞ্জিৰা নাম ঃ** তাল-কোবোৱা প্ৰসঙ্গৰ পাছতেই মঞ্জিৰা বা খুঁটিতাল লৈ নাম-প্ৰসঙ্গ কৰে। কৃষ্ণৰাম, কৃষ্ণৰাম, কৃষ্ণৰাম আদি নান্দীঘোষা এটি বেলেগ সুৰ আৰু তালেৰে গোৱাৰ অন্তত চাৰিটি ঘোষা গোৱা হয়। তাৰ পাছত কংসবধ আৰু অন্য এটি কীৰ্তন পাঠ কৰা হয়।

(৩) **যোৰা বা খোল প্ৰসঙ্গ ঃ** মঞ্জিৰা নামৰ অন্তত দবা বজাই তাল-খোলেৰে যোৰা ধৰা হয়। ইয়াত কেৱল এটা গীতহে গোৱা হয়।

(৪) **বুঢ়ী ভকত বা আইসকলৰ পুৱাৰ প্ৰসঙ্গ ঃ** পুৱাৰ ভাগত আইসকলে হাতচাপৰি বজাই গীত গায়। কীৰ্তনৰ শিশুলীলা, কংসবধ আৰু দুই এটি অন্যান্য কীৰ্তন- যথাক্ৰমে গোৱা হয়। লগতে শঙ্কৰদেৱৰ জন্ম তথা বংশাৱলীৰ দিহা অথবা কীৰ্তনৰ বিষয়বস্তুৰ ওপৰত ভিত্তি কৰি অনেক দিহা গোৱা হয়।

(৫) **যোৰা প্ৰসঙ্গ ঃ** দুপৰীয়া সময়ত নামঘৰত পুনৰ শলিতা-বন্তি জ্বলাই দবা-কাঁহ বজোৱা হয়, তাৰ অন্তত গায়নে-বায়নে তালে-খোলেৰে যোৰা প্ৰসঙ্গ কৰে। প্ৰথমে যোৰা ধৰি গুৰুঘেটা বজাই নিৰ্দিষ্ট ৰাগ-তালত গীত গোৱা হয়।

(৬) **ডেৰপৰীয়া নাম বা প্ৰসংগ ঃ** এই প্ৰসঙ্গতো আইসকলৰ দৰে গীত আৰু ঘোষা একাদিক্ৰমে গাই কীৰ্তন-ঘোষা শ্ৰৱণ-কীৰ্তন কৰা হয়।

(৭) **ঘোষা-কীৰ্তন ঃ** ডেৰপৰীয়া নামৰ পাঠৰ অন্তত প্ৰসাদ বিতৰণ কৰা হয়। প্ৰসাদ গ্ৰহণ কৰাৰ পাছত বুঢ়া ভকতসকলে ‘ঘোষা-কীৰ্তন’ নামৰ প্ৰসংগ কৰে। ঘোষা কীৰ্তনত গীত এটি গাই নাম ধৰে। নান্দী ঘোষা পিছত চাৰিটা অন্য ঘোষা গায়। তাৰ পাছত দুটি কীৰ্তন দিয়ে।

ইয়াৰ পাছৰ (৮) যোৰা প্ৰসংগ, (৯) আইসকলৰ সন্ধিয়াৰ নাম, (১০) সন্ধিয়াৰ তাল কোবোৱা, (১১) সন্ধিয়া কীৰ্তন আৰু (১২) ৰাতিৰ যোৰা প্ৰসংগৰ কাৰণে সেইদিনা সময় নহয়গৈ কাৰণে মাথোন (১৩) সন্ধিয়াৰ গুণ আৰু (১৪) নাম পাঠহে আজৰি উলিয়াই কৰা হয়।

দেখা যায় যে এই সমস্তৰ মাজত কীৰ্তন-ঘোষাৰ বিশেষ স্থান আছে। গুৰু চৰিত কথাৰ প্ৰথম ছেদতে মাধৱদেৱে সুন্দৰীদিয়াত থকাৰ সময়ত চৈধ্য প্ৰসঙ্গৰ ক্ৰম সংগতি নিৰ্ণয় কৰি থৈ গৈছিল বুলি উল্লেখ আছে। শংকৰদেৱৰ সময়ত এই ক্ৰম সঙ্গতি নাছিল।

> তেহে গুৰুজনে বোলে মোৰ মহাপুৰুষ গুৰু আজি সিংহাসন আসন হোৱা হ’লে তাত বহি জিৰাই নাম ভকতৰ আনন্দ চালেহতে।। তেহে আসন পাতি দি পথালি বহাৰো সাৰি লগাই চৈধ্যগোটা প্ৰসঙ্গ পাতি মুক্তিমন্তকৈ চৰ্চ্চি ক্ৰম লগাইছে বৈকুণ্ঠৰ পৰা অমন্তলৈ।। আৰু বোলে আলহি অতিথি ঘৰুৱা বনুৱা পথৰুৱা লোণ কৰি গুৱা প্ৰসাদৎ বাজে লাগিবা নাম খাৰতলৈ অভ্যন্তৰে লাগে। ৬০৮।।[১]

কেশৱানন্দ দেৱ গোস্বামীয়ে তেওঁৰ *পৰিৱেশনত কীৰ্তন* প্ৰবন্ধত কীৰ্তন-ঘোষা পাঠৰ গায়ন ৰীতি বা গেয় পাঠৰ ওপৰত বিস্তৃত আলোচনা আগবঢ়াইছে। চৈধ্য প্ৰসঙ্গৰ ক্ৰম সত্ৰসমূহত সংৰক্ষিত হৈ আহি কীৰ্তন-ঘোষাক দীৰ্ঘস্থায়ী বৰ্তনযোগ্যতা প্ৰদান কৰা দেখা যায়। মাধৱদেৱে চৈধ্য প্ৰসঙ্গৰ ক্ৰম লগাই

১. উল্লিখিত, পৃ. ১৯৪

থৈ যোৱাৰ পাছত—

> পুৰুষোত্তম ঠাকুৰে ইয়াৰ এক সুনির্দিষ্ট ৰূপ দিয়ে আৰু প্ৰায় সকলো সত্ৰই তাক গ্ৰহণ কৰে বুলি সন্তাৱলী নামৰ পদচৰিতত দ্বাৰিকা মিশ্ৰই দীঘলীয়াকৈ ২৩৩০ সংখ্যক পদলৈ বৰ্ণনা দিছে। লগতে এই কথাও কোৱা হৈছে যে পুৰুষোত্তমৰ আৰ্হিয়েই গাঁৱে ভূঞে প্ৰচলিত হ'বলৈ ধৰে। তাৰ অন্য এক কাৰণ হ'ল পুৰুষোত্তম, চৰ্তুভূজ আৰু ভাগিনীয়েক দামোদৰ আতাই পতা সত্ৰৰ সংখ্যাই সৰ্বাধিক, বিশেষকৈ সংহতিৰ বিচাৰত। [২]

চৈধ্য-প্ৰসঙ্গৰ মাজতে কীৰ্তন-ঘোষাৰ পাঠ তথা কীৰ্তনৰ ক্ৰমো নিৰ্ধাৰিত হৈ আছে। পুথিখনিৰ পৰিবেশন সুৰ আৰু বাদ্যৰে পৰিপূৰ্ণ। এই পাঠ প্ৰকৃততেই জনসাধাৰণৰ বাবে পৰম আ াদায়ক ভক্তিময় উপাসনা সঙ্গীত। কীৰ্তন-ঘোষাৰ সংগীতত ৰাগৰ ব্যৱহাৰ এটি তথ্যমূলক আলোচনা হ'ব পাৰে। শঙ্কৰদেৱে বৰগীত বা নাটৰ গীতসমূহত যিদৰে শাস্ত্ৰীয় ৰাগৰ উল্লেখ কৰি থৈ গৈছে, ঠিক তেনেদৰে কীৰ্তন-ঘোষাৰ গীত-পদত নিৰ্দিষ্ট ৰাগ বান্ধি থৈ যোৱা নাই। অৱশ্যে কীৰ্তনৰ পাঠ কৰোঁতে ছন্দ অনুযায়ী যি যি সুৰ পেলাই গোৱা হয়, সেই সুৰ সমূহে কিছু কিছু পৰিমাণে ৰাগৰ স্পৰ্শ কৰে। এই প্ৰসঙ্গত পীতাম্বৰ দেৱগোস্বামীয়ে তেওঁৰ গৱেষণা গ্ৰন্থত কীৰ্তন-ঘোষাৰ গীতৰ সাম্ভাব্য ৰাগ সমূহৰ বিষয়ে উল্লেখ কৰিছে—

| কীৰ্তন | ৰাগ |
|---|---|
| ১) জয় হৰি গোবিন্দ | কেদাৰ |
| ২) যদুমণি যাদৱ | ধনশ্ৰী |
| ৩) কৰিয়ো হৰিৰ চৰণে ৰতি | ধনশ্ৰী |
| ৪) ঘুষিয়ো হৰি হৃদি ৰূপ বীৰ | ধনশ্ৰী |
| ৫) কলিৰ ধৰ্ম হৰি.. | ধনশ্ৰী |
| ৬) হৰি ও হৰি ৰাম মুৰাৰী | |
| কীৰ্তনৰ নিন্দা | ধনশ্ৰী |
| ৭) ত্ৰাহি গোপাল কৃপাল | ধনশ্ৰী |
| ৮) মাধৱ ৰাম হৰি হে যাদৱ | তুৰ |
| ৯) জয় জগন্নাথ অনাথ বন্ধু | তুৰ |

২. ৰঞ্জিতকুমাৰ দেৱ গোস্বামী (সম্পা.), *কথা গুৱাহাটী*, পৃ. ১৭

| কীৰ্তন | ৰাগ |
|---|---|
| ১০) তাৰিয়ো নিয়া নাথ নাৰায়ণ | তুৰ |
| ১১) পুণ্ডৰীকাক্ষ কৰা কৃপা ৰাম | কেদাৰ |
| ১২) ৰাম ৰাম মুকুন্দ | ধনশ্ৰী |
| ১৩) পৰমানন্দ কৰা কৃপা | কেদাৰ |
| ১৪) দুৰাচাৰ মন মোৰ | সাৰেং |
| ১৫) স্বামী ৰাম নেৰো | চালেংগী |
| ১৬) ৰাম ৰাম ৰাম হৰি | সিন্ধুৰা |
| ১৭) কৃষ্ণ ৰাম জয় জগবন্ধু | সিন্ধুৰা |
| ১৮) জয় জয় ৰাম জয় শ্ৰীৰাম | তুৰ |
| ১৯) ৰাম নিৰঞ্জন নিৰঞ্জন হৰি নমো | সিন্ধুৰা |
| ২০) এ প্ৰাণ হৰি গৈল এৰি | সিন্ধুৰা |
| ২১) কেশৰ শিৰ শিৰ ঘুৰিয়ো | বসন্ত |
| ২২) ও হৰি দেহু দৰিশন শিৰ | বেলোৱাৰ |
| ২৩) স্বামী ৰাম নেৰো আদৰ | তুৰ |
| ২৪) কৃষ্ণ গোপাল কৰুণাময় | বিহাগড়া |
| ২৫) কি কৰিলো কি কৰিলো ভকতি | এমৎ কল্যাণ। |
| ২৬) ৰাম পাৰ কৰা ৰঘুনাথ সংসাৰ | চালেংগী |
| ২৭) সেৱক বুলিয়া পালিয়ো | ধনশ্ৰী |
| ২৮) গোপাল গোবিন্দ যদুনন্দন কৃষ্ণৰ চৰণে | বসন্ত |
| ২৯) ত্ৰাহি দেৱ দামোদৰ শৰণ পাশিলো আমি | বৰাড়ী |
| ৩০) বোলা হৰি ৰাম মুকুন্দ মুৰাৰি বিনা হৰি নামে ভৰ | গৌৰী |
| ৩১) গোপাল কৃষ্ণ কৰহু ত্ৰাণ | আশোৱাৰী |
| ৩২) ত্ৰাহি হৰি জগন্নাথ | শ্ৰী গান্ধাৰ |

গতিকে দেখাযায় যে কীৰ্তন-পুথিত ৰাগৰ প্ৰয়োগ প্ৰছন্ন হৈ আছে। সমাজৰ সকলো শ্ৰেণীৰ

মানুহে ইয়াত নিজস্ব আবেগ, সুৰৰ মাজত অনুভৱ কৰিব পাৰে আৰু পুথিখনিৰ যিকোনো ঘোষা-পদ সুৰ ঢালি গাব পাৰে। এই প্ৰসংগত কৰবী ডেকা হাজৰিকাৰ মত উল্লেখযোগ্য-

> এই কথা আচৰিত যে প্ৰায় সকলো অসমীয়া মানুহেই ৰাগ-আশ্ৰয়ী গীত গাব পাৰে। কাৰণ অসমৰ বৈষ্ণৱসমাজৰ মাজত সংগীত এক অপৰিহাৰ্য আচৰণ। প্ৰতিটো উপাসনা পদ্ধতিৰ মাজত সংগীত প্ৰয়োগ কৰা হয়। নৃত্য-গীত আৰু বাদ্যৰ সমাৱেশত অসমৰ বৈষ্ণৱ ধৰ্মই এক পৰিৱেশ্য কলাৰ পোষকতা কৰে। ই একক আৰু সমূহীয়া উভয় ধৰণৰ হ'ব পাৰে। বিভিন্ন সুৰ আৰু তালেৰে ভক্তিগীতবোৰ গাই প্ৰাৰ্থনা কৰা হয়। আনহে নালাগে প্ৰাৰ্থনাৰ সময়ত গোৱা নামবোৰতো আৰোহন-অৱৰোহন থাকে। গতিকে সাধাৰণ লোকেও নিজেই নজনাকৈ প্ৰাৰ্থনাৰ মাজত ৰাগ-সংগীত ব্যৱহাৰ কৰে।[৩]

কীৰ্তনৰ পাঠৰ প্ৰসঙ্গৰ সুৰত শাস্ত্ৰীয় গম্ভীৰতাৰ লগে লগে জনজাতীয় লোকসঙ্গীতৰ সুৰ বিচাৰি উলিয়াব পাৰি। শঙ্কৰদেৱৰ ধৰ্মত সকলো জাতি জনগোষ্ঠীৰ মানুহে শৰণ ল'ব পাৰিছিল। গতিকে ৰাভা, ডিমাছা আদি বিভিন্ন জনজাতীয় সুৰৰ প্ৰভাৱ কীৰ্তন প্ৰসংগৰ আৰম্ভণিতে দিয়া কৃষ্ণডাকৰ ওপৰত পৰিছে। অসমৰ জন-জীৱনৰ গীত-মাত, সুৰ-লয়, ছন্দ-অলংকাৰৰ সাৰ্থক সমন্বয় শঙ্কৰদেৱে কীৰ্তন-ঘোষাৰ মাজত প্ৰতিষ্ঠা কৰিছে। বিহু গীত, জনজাতীয় লোকগীত আদি সুৰৰ প্ৰভাৱ কীৰ্তনৰ সুৰত পৰিছে। কীৰ্তনৰ নাম আৰু পাঠ প্ৰসঙ্গ অনুষ্ঠান গভীৰ ভাৱে শুনিলে এই সুৰসমূহ পাঠৰ মাজত আছে বুলি উপলব্ধি কৰিব পাৰি। এই প্ৰসঙ্গত সঞ্জীৱ কুমাৰ বৰকাকতিয়ে কৈছে যে-

> একশৰণ নামধৰ্মত ভকতসকলে প্ৰাৰ্থনা ৰূপে নাম-প্ৰসঙ্গৰ বিভিন্ন গীত-পদ গায়। এই প্ৰসঙ্গত যিবোৰ সুৰ ব্যৱহাৰ কৰা হয়, তাৰ কেতবোৰ টাই আহোম সকলৰ পৰা আহৃত। নামপ্ৰসঙ্গ বা ভাগৱত পাঠৰ অন্তত ঈশ্বৰৰ মহিমা ঘোষণা কৰি জয় দিয়া প্ৰথাটোও টাই আহোমসকলৰ পৰাই আহিছে। প্ৰসঙ্গৰ কেতবোৰ সুৰ তথা বৰগীতৰ কেতবোৰ সুৰৰ এক উল্লেখনীয় উৎস হৈছে তিৱা জনগোষ্ঠীৰ লালী-হিলালী গীতসমূহ।[৪]

কীৰ্তন-ঘোষাৰ পৰিবেশনৰ ক্ষেত্ৰলৈ লক্ষ্য কৰিলে ইয়াৰ সুৰৰ ভিন্নতা পৰিলক্ষিত হয়। কিয়নো

৩. কৰবী ডেকা হাজৰিকা, অভিভাষণ - *The popularity and relevance of music books in India*

৪. সঞ্জীৱ কুমাৰ বৰকাকতি, *শঙ্কৰী সাহিত্য আৰু সংস্কৃতিৰ বৈশিষ্ট্য*, পৃ. ৪৩।

কীর্তন-ঘোষা দুই ধৰণে পৰিবেশন কৰা হয়— (১) নাম আৰু (২) পাঠ। নাম অনুষ্ঠান মূলত ঃ কীর্তনৰ প্ৰসঙ্গ কৰা হয়। কাৰণ—

> কীর্তনৰেই আনুষ্ঠানিক সংজ্ঞা হ'ল নাম প্ৰসঙ্গ। পিছে কৰ্ণৰো অভিৰাম হ'ব লাগে বুলি সুৰ-তালত গাব পৰা ৰসসিক্ত ৰচনা সমূহৰ প্ৰয়োজন হয়। [৫]

গতিকে এনে প্ৰয়োজনৰ বাবে কীর্তন-ঘোষা খনিৰ অভ্যন্তৰভাগ ভক্তিৰস, সুৰ সঙ্গীতেৰে পৰিপূৰ্ণ। প্ৰধানত ঃ কীর্তন-ঘোষাৰ নামে নামঘৰ আৰু বিশেষ ৰাজহুৱা অনুষ্ঠানত আগভাগ লাভ কৰে। পাঠ প্ৰসঙ্গ সাধাৰণতে মানুহৰ নিজৰ ঘৰত বিশেষ উপলক্ষ্য অনুযায়ী কৰা হয়। কীর্তন-পাঠৰ সুৰ নিৰ্দ্ধাৰণ এটা জটিল বিষয়। কিয়নো, এই পুথিখনিৰ পাঠৰ ক্ষেত্ৰত দুটা ৰূপ দেখা পোৱা যায়। শঙ্কৰদেৱে পুথিখনি সুৰৰ উপযোগীকৈ যি যি ছন্দত ৰচনা কৰিছে- সেই ছন্দ অনুযায়ী সাধাৰণ ভাৱে পৰম্পৰাগত সুৰ নিৰ্দ্ধাৰিত হৈ আহিছে। দ্বিতীয়তে ৰাগ নিৰ্ভৰ পাঠ প্ৰধানকৈ সত্ৰসমূহ ৰক্ষিত হৈ আহিছে। দুয়োটা পাঠৰ ক্ষেত্ৰতে ইয়াৰ ঠেও, থমক, হেঁচা, কাজ আদি গুৰুত্বপূৰ্ণ বিষয়। ছন্দধৰ্মী সাধাৰণ সুৰ প্ৰায় সকলো ভকতে গাব পাৰে। ৰাগ নিৰ্ভৰ কীর্তন প্ৰশিক্ষিত ভকতেহে গাব পাৰে। ৰাগ নিৰ্ভৰ পাঠৰ ক্ষেত্ৰত সাৰেং, অহিৰ আদি ৰাগেই প্ৰধানকৈ গুৰুত্ব পালেও শ্যাম, সুহাই, ধনশ্ৰী, তুড়, ভটিয়ালী, বৰাড়ী, বসন্ত, সিন্ধুৰা, মাহুৰ, ভূপালী প্ৰভৃতি অন্যান্য ৰাগেই স্থান পায়। অসমৰ সত্ৰ আৰু নামঘৰ সমূহত সহস্ৰজন সুদক্ষ ভক্ত শিল্পীয়ে কীর্তন-ঘোষাৰ পাঠৰ চৰ্চা অব্যাহত ৰাখিছে। পৰম্পৰা আৰু নিত্য নৈমিত্তিক কাৰণত কীর্তন-পাঠৰ একক আৰু সামূহিক পাঠৰ দুটা পৰিবেশন ৰীতিৰ প্ৰচলন হৈ আহিছে। অৱশ্যে পৰম্পৰাগত সুৰ সঞ্চাৰ, ঠেও, থমক, হেঁচা আদিৰ শুদ্ধৰূপত সংৰক্ষণৰ ক্ষেত্ৰত সমূহীয়া পৰিবেশন ৰীতিয়েহে অত্যাধিক গুৰুত্ব লাভ কৰিছে।

ভক্তিৰ দৃঢ়তাক সমাজৰ মাজত মনোগ্ৰাহীকৈ তুলি ধৰাৰ এক অভূতপূৰ্ব শৈল্পিক গুণ কীর্তন-ঘোষাৰ মাজত নিহিত হৈ আছে। পুথিখনিৰ সাহিত্যিক মূল্য অপৰিসীম আৰু লগে লগে পুথিখনিৰ পৰিবেশন ৰীতিত পৰিবেশ্য কলাৰ বিশেষত্ব আৰোপ কৰা হৈছে। স্থানীয়, শাস্ত্ৰীয় আৰু প্ৰান্তীয় উপাদানৰ সংমিশ্ৰনেৰে শঙ্কৰদেৱে কীর্তন-ঘোষাত গীতৰ উপযোগীকৈ সুৰ আৰোপ কৰি ৰচনা কৰাৰ বাবে পুথিখনে বিশিষ্ট ৰূপ ধাৰণ কৰিছে। হীৰেণ গোঁহায়ে লিখিছে —

> কীর্তন পুথি আধুনিক যুগৰ কবিতাৰ দৰে পঢ়া হৈছিল যেন নালাগে। সত্ৰ নামঘৰত আজিও সুৰ লগাই পঢ়ে যদিও সি সংগীত প্ৰধান পাঠ নহয়। মহাপুৰুষ শঙ্কৰদেৱৰ দিনতে কেতিয়াবা নামৰ সময়ত ভক্তিত গদ গদ হৈ কোনো ভকতে পাঠৰ তালে

---

৫. তীৰ্থনাথ শৰ্মা, *মুখবন্ধ কীর্তন-ঘোষা আৰু নামঘোষা।*

তালে নৃত্য কৰাৰ কথা চৰিত পুথিত আছে। 'ৰামচৰিত মানস'ৰ দৰে কীৰ্তন কেতিয়াবা এজনে পঢ়ে, আন শ্ৰোতাই শুনে, কেতিয়াবা ভগৱানৰ নাম ল'ব খোজা গৃহস্থীয়ে গোঁসাই ঘৰত অকলেও পঢ়ে। মুছলমান সকলৰ কাৱালিৰ দৰে গীত নহ'লেও কীৰ্তনৰ প্ৰসংগৰ সময়ত সমূহ ভকতে হাত চাপৰি বজায়ো তাল ৰাখে।[৬]

স্বগৃহ আৰু নামঘৰ উভয়তে কীৰ্তন-ঘোষা পঠন কৰা হয়। এই পাঠ নীৰস নহয়; কিয়নো কীৰ্তনৰ ঘোষাপদ সমূহ এক প্ৰকাৰ প্ৰৱন্ধ সংগীত অথবা গীতি কবিতা তুল্য। শঙ্কৰদেৱে তীৰ্থ ভ্ৰমণৰ সময়চোৱাত ভাৰতীয় সঙ্গীতৰ ধাৰাটিৰো সূক্ষ্ম অধ্যয়ন কৰিছিল বুলি ভাবিব পাৰি। শঙ্কৰদেৱে মানুহৰ মনত সহজ ভাৱে ধৰ্মীয় ধাৰণা সমূহ সুমুৱাই দিবলৈ উক্ত গীত-বাদ্য-নৃত্যৰ সহায় লৈছিল। ভাৰতীয় ঐতিহ্যৰ সাংগীতিক দিশেৰে লোক সমাজক ধৰ্ম-দৰ্শনৰ চিনাকি কৰাবলৈ তেওঁ বিশেষ ভাৱে সক্ষম হৈছিল আৰু তাৰ উদাহৰণ আছিল বৰগীত আদিৰ উপৰিও কীৰ্তনৰ পদসমূহ। শঙ্কৰী সঙ্গীতৰ লোক-জীৱনৰ ওচৰ চপা এক বিশিষ্ট ধাৰাৰ জন্ম হৈছিল। শংকৰদেৱে একশৰণ হৰিনাম ধৰ্মৰ সমস্ত তত্ত্ব একত্ৰিত কৰি কীৰ্তন-ঘোষাৰ ৰচনাৰে প্ৰকৃততে এক প্ৰকাৰ সঙ্গীত গ্ৰন্থৰহে সৃষ্টি কৰিছিল। তদুপৰি তেওঁ গীত-ভটিমা, টোটয়-চপয়, গুণমালা আদি ৰচনাৰে বিশিষ্ট সংগীতৰ ধাৰাৰ সৃষ্টি কৰি থৈ গ'ল।

গীত বুলিলে গীতৰ কথাংশ, সুৰ, গায়ন পদ্ধতি সকলো সামৰা হয়। কীৰ্তন-ঘোষাৰ পাঠত শঙ্কৰদেৱে শাস্ত্ৰীয়, প্ৰান্তীয় আৰু স্থানীয় সঙ্গীতৰ মিশ্ৰিত সুৰ আৰোপিত কৰি শাস্ত্ৰখনি পৰিবেশ্য কলাৰ কলাৰ গুণেৰে সমৃদ্ধ কৰি ৰচনা কৰিছিল। সাহিত্যিক মূল্যৰ লগে লগে কীৰ্তন পুথিৰ সাংগীতিক বিশেষত্বও যথেষ্ট গভীৰ। এই পুথিত শংকৰদেৱে অসমৰ থলুৱা সংগীতৰ উপাদানৰ লগত সংস্কৃত শাস্ত্ৰীয় মাৰ্গ-সঙ্গীতৰ সু-সমন্বয় ঘটাবলৈ সক্ষম হৈছে। কীৰ্তন-ঘোষা নামঘৰ বা স্ব-গৃহত নৃত্য নৈমিত্তিক প্ৰসঙ্গ কৰোতে যি দৰে বাদ্যসহ সমবেত সংগীত ৰূপে ভক্তি সহকাৰে গোৱা হয়; লোকসমাজত ইয়াৰ প্ৰভাৱ অতি তাৎপৰ্য্যপূৰ্ণ। শতাধিক বৰ্ষ জুৰি কীৰ্তন-ঘোষাৰ মাজত এক সাৰ্বজনীন চেতনা প্ৰবাহিত হৈ আছে। শঙ্কৰদেৱে একশৰণ হৰিনাম ধৰ্মৰ সকলো কঠিন তত্ত্ব সহজভাৱে কীৰ্তন-ঘোষাৰ সুৰীয়া সাংগীতিক প্ৰকাশেৰে জন-সমাজৰ অঙ্গাঙ্গী কৰি দিছিল। এই পুথিখনি নাম প্ৰসঙ্গৰ এৰাব নোৱাৰা অংগ। পুথিখনিয়ে শঙ্কৰী সঙ্গীতৰ এক বিশিষ্ট বিভাগৰূপে অসমীয়া লোক-জীৱনক সাত্ত্বিক মহত্ব প্ৰদান কৰি আহিছে। কীৰ্তন-পাঠৰ সংগীতিক বিশেষত্ব আছে। ভাৰতীয় সংগীতৰ ইতিহাসত কীৰ্তন পদ্ধতিৰে গোৱা গানৰ উল্লেখ আছে। এই পদ্ধতিৰ গানক প্ৰৱন্ধ গানৰ শ্ৰেণীভুক্ত কৰা হয়। কীৰ্তন-ঘোষাৰ গায়ন-ৰীতিৰ শাস্ত্ৰীয়

---

৬. হীৰেণ গোঁহাই, *কীৰ্তন-পুথিৰ ৰসবিচাৰ*, পৃ. ২৮

ৰূপটি অতি মহত্বপূৰ্ণ। আধ্যাত্মিক তত্ত্ব সম্বলিত কীৰ্তন আৰু কৃষ্ণৰ লীলা সম্বলিত কীৰ্তন— এই দুই প্ৰকাৰৰ কীৰ্তনগোৰাৰ বিশিষ্ট সুৰে গায়ক আৰু শ্ৰোতাক পৰম আনন্দ প্ৰদান কৰিব পাৰে।[খ]

কীৰ্তন পাঠৰ ৰীতি লক্ষ্য কৰিলে দেখা পোৱা যায় যে কীৰ্তনৰ সুৰ সম্পূৰ্ণভাৱে শাস্ত্ৰীয় ৰাগ তালযুক্ত নহয়। লোক মনক আকৰ্ষিত কৰিব পৰাকৈ এক সৰল সাংগীতিক সুৰ, তাল, লয় কীৰ্তন-ঘোষাৰ পাঠত বিৰাজমান। পুথিখনিৰ প্ৰত্যেকটো কীৰ্তনৰ আৰম্ভণি হৈছে একোটি ঘোষাৰে অৰ্থাৎ ঘোষা গাইহে পৰৱৰ্ত্তী পদ গোৱা হয়। নাম-প্ৰসঙ্গমূলক পুথি হিচাপে কীৰ্তন-ঘোষাক শ্ৰেষ্ঠতম স্বীকৃতি দিয়া হয়। কীৰ্তনৰ জৰিয়তে আনুষ্ঠানিক পৰিবেশৰ মাজত ভগৱন্তৰ গুণানুকীৰ্তন সামূহিক ভাবে কৰা হয়, তেতিয়াই সেই উপাসনা সঙ্গীত 'নাম প্ৰসঙ্গ'লৈ ৰূপান্তৰিত হয়। প্ৰসঙ্গ পাঁচ প্ৰকাৰৰঃ

ক) বীৰ ঃ গীত বাদ্য সহকাৰে কৰা কীৰ্তন।

খ) নিবিড় ঃ নীৰৱ নিস্তব্ধ সহকাৰে কৰা কীৰ্তন।

গ) উপাংগ ঃ নৃত্য নাট্যাদিৰে কৰা কীৰ্তন।

ঘ) মানস ঃ মনতে কৰা কীৰ্তন।

ঙ) বিৰল ঃ গোপন ভাৱে কৰা কীৰ্তন।[৭]

কীৰ্তনৰ নিবিড় প্ৰসঙ্গ, বীৰ প্ৰসঙ্গ ভিন্ন সময়ত কৰা হয়। বিশেষকৈ বীৰ প্ৰসঙ্গৰ ক্ষেত্ৰত পাঠকজনে প্ৰথমে তাল বজাই ঘোষা লগাই দিয়ে আৰু দোহাৰ সকলে চাপৰি বজাই সেই ঘোষাটোৰ পুনৰাবৃত্তি কৰে। ইয়াৰ পাছত পাঠকজনে পদ একোটাৰ গায় আৰু বাকী সকলে পদৰ শেষাংশ লগতে গাই ঘোষাটো পুনৰ গায়। এইদৰেই কীৰ্তনৰ সামৰণি পৰে। অঞ্চলবিশেষে মূলতঃ বীৰ প্ৰসঙ্গৰ দিশত কীৰ্তনবোৰ ওজাপালিৰ সাংগীতিক বৈশিষ্ট্য ৰক্ষা কৰি গোৱা হয়।

শঙ্কৰদেৱে কীৰ্তনৰ গায়ন পদ্ধতিত ওজাপালিৰ পৰা আংশিক সমল আহৰণ কৰিছিল বুলি ভবাৰ থল আছে। দৈত্যাৰি ঠাকুৰৰ গুৰু চৰিতত উল্লেখ আছে —

ৰাম ৰাম গুৰু ৰাম দাস ওজা দুই।
মাধৱে কীৰ্তন কৰে ডাইনা পালি হুই।।

---

**প্ৰসঙ্গটোকা ঃ** (ক) কীৰ্তনৰ শাস্ত্ৰীয় ৰূপটি মহত্বপূৰ্ণ। ভাৰতীয় সঙ্গীতৰ প্ৰাচীন প্ৰবন্ধ গানেই কীৰ্তনৰ শাস্ত্ৰীয় ৰূপ। কীৰ্তন-পুথিত থকা কীৰ্তন সমূহক দুই ভাগত ভগাব পাৰি। এভাগ আধ্যাত্মিক তত্ত্ব সমূলিত কীৰ্তন আৰু আনভাগ লীলা কীৰ্তন উৎসৱ-পাৰ্বনৰ নাম কীৰ্তনত প্ৰথমে আধ্যাত্মিক তত্ত্বৰ কীৰ্তন ধৰাৰ পাছত লীলা কীৰ্তন ধৰা হয়। লীলা কীৰ্তনত গায়ক সকলৰ ৰাপ অধিক দেখা যায়। অসমৰ গাঁৱে-ভূঞে সৰ্বত্ৰে কীৰ্তনৰ ধ্বনিয়ে বায়ু শোধন কৰি আছে। গায়কে কীৰ্তন কাৰ্যক্ৰমত স্বাভাৱিকতে যি পৰমানন্দ সুখ অনুভৱ কৰে সেই আনন্দই কীৰ্তনৰ লয় প্ৰবৃত্তি দ্ৰুত কৰি তোলে। কীৰ্তনৰ সুৰ সঞ্চাৰ, তাল, সাহিত্য, ৰস আদি বহিৰঙ্গা বৃত্তিৰ। (গোলাপ মহন্ত ঃ *শঙ্কৰী সংগীতৰ আধাৰ গ্ৰন্থ*, পৃ. ৩২)

৭. নাৰায়ণচন্দ্ৰ গোস্বামী, *সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা*, পৃ. ৩৬।

গগণ মণ্ডল চোৰে কীৰ্তনৰ ধ্বনি।

আনন্দ সাগৰে লোক মজে তাকে শুনি।।

স্বভাৱে কীৰ্তন ঘোষা পৰম সুন্দৰ।

এখনো মিলায় শুনি আনন্দ লোকৰ।। [৮]

গতিকে কীৰ্তন-ঘোষাৰ পাঠ এসময়ত গীত-নৃত্য-অভিনয়ৰ মাধ্যমেৰে প্ৰচলিত আছিল বুলি অনুমান কৰা যায়। এতিয়াও এই গুণ শেষ হোৱা নাই। কীৰ্তন-ঘোষাৰ পৰা পদ লৈ এটা সময়ত বৰদোৱা অঞ্চলত এবিধ ওজাপালি গোৱাৰ নিয়ম আছিল। এই ধৰণৰ নামপ্ৰসঙ্গমূলক ওজাপালিক 'কীৰ্তনীয়া' আখ্যা দিয়া হয়।[৯] বৰ্তমান এনে ওজাপালিৰ প্ৰচলন দেখা পোৱা নাযায়। কীৰ্তনৰ পাঠ আৰু প্ৰসঙ্গৰ সুৰত জনজাতীয় লোকসঙ্গীতৰ সুৰ বিচাৰি উলিয়াব পাৰি। কীৰ্তনত এনে জনজাতীয় লোকগীতৰ সুৰ লক্ষ্য কৰা যায়।

ৰাভা জনজাতীয় 'আয়ৈ বিমা, মাবাৰৈ খাংখো নাঙাজংখৌ গদাও চৰাও' লোকগীতটিৰ বিচিত্ৰ সুৰ আৰু ছন্দ আমাৰ কীৰ্তন প্ৰসঙ্গৰ আৰম্ভণিতে কৃষ্ণ ডাক দিওঁতে ধৰা হয়। ভাদমহীয়া কীৰ্তনঘৰত গধূলিৰ প্ৰসঙ্গত এই ছন্দত কীৰ্তন কৰা হয়।

কীৰ্তনৰ সুৰৰ স্থান ভেদে ভিন্নতা লক্ষ্যণীয়। কিছু লেখকে কীৰ্তন পাঠৰ সুৰৰ ক্ষেত্ৰত পৰম্পৰাগত ছন্দ বিন্যাস অনুযায়ী সুৰ সমূহৰ স্বৰলিপি কৰি উলিয়াইছে। (*পৰিশিষ্টত চাওক*)

কীৰ্তন-ঘোষাৰ সুৰ-সংযোজনাৰ ক্ষেত্ৰত কেতবোৰ বিশিষ্ট লক্ষণ দেখা পোৱা যায়। কীৰ্তনৰ সঙ্গীত দুই প্ৰকাৰে পৰিবেশন কৰা হয়। নিত্য নৈমিত্তিক প্ৰসঙ্গত কীৰ্তন-ঘোষাৰ পাঠ প্ৰসঙ্গ আৰু নাম প্ৰসঙ্গ কৰা হয়। দুই প্ৰকাৰ প্ৰসঙ্গত সুৰ ভিন্ন ভাৱে আৰোপ কৰি পৰিবেশন কৰা হয়।

পাঠ প্ৰসঙ্গৰ ক্ষেত্ৰত মানুহৰ ঘৰত জন্ম, মৃত্যু, ৰিষ্টাদি খণ্ডন গোঁসাই ঘৰ প্ৰতিষ্ঠা ইত্যাদি বিভিন্ন উপলক্ষ্যত কীৰ্তন-ঘোষা পাঠ কৰা হয়। এই পাঠৰ সুৰ ৰাগ প্ৰধান। কীৰ্তন-ঘোষা দুলড়ী, লেছাৰি, ছবি আদি ছন্দত ৰচনা কৰা হৈছে। কীৰ্তন-ঘোষাৰ মূল সুৰ প্ৰধানতঃ এটাই। কিন্তু ছন্দ সজ্জা অনুসৰি-দুলড়ী, ঝুমুৰি, লেছাৰী ইত্যাদিৰ সুৰত গাঁওতে ভকতীয়া সুৰৰ সামান্য তাৰতম্য ঘটে।

কমলাবাৰী সত্ৰত পাঠকে কীৰ্তনেৰে প্ৰসংগ আৰম্ভ কৰে। উদাহৰণস্বৰূপে- কীৰ্তন-ঘোষাৰ চৰ্তুবিংশতি অৱতাৰৰ বৰ্ণনাৰ পৰা- জয় হৰি গোবিন্দ নাৰায়ণ ৰাম কেশৱ হৰি।/ ৰাম ৰাম কেশৱ হৰি।।১ বুলি ঘোষাৰে আৰম্ভ কৰে। এই সুৰ ৰাগত টনা হয়। ইয়াৰ পাছত পদ- প্ৰথমে প্ৰণামো ব্ৰহ্ম-ৰূপী সনাতন।

---

৮. ৰাজামোহন নাথ (সম্পা.), *দৈত্যাৰি ঠাকুৰ বিৰচিত - 'গুৰুচৰিত'। ছিলট-১৮৬৯ শকাব্দ, পদ* ১৯/২৩

৯. নবীনচন্দ্ৰ শৰ্মা, *ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ পৰিবেশ্য কলা*, পৃ. ৪৩-৯৯।

/সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ।। বেলেগ সুৰত আৰম্ভ কৰা হয়। পদৰ সুৰ বেলেগ। অৰ্থাৎ ঘোষাৰ সুৰ আৰু পদৰ সুৰ ভিন্ন।

নামঘৰত সাধাৰণতে পাঠকজনে কীৰ্তন আৰম্ভ কৰে। কমলাবাৰী সত্ৰতহে নিশা নামলগোৱাই কীৰ্তন আৰম্ভ কৰে। অন্যহাতেদি কীৰ্তন-ঘোষাৰ নাম-প্ৰসঙ্গৰ ক্ষেত্ৰত প্ৰয়োগ কৰা সুৰ ভিন্ন। নামঘৰত ৰাজহুৱা অনুষ্ঠানত প্ৰথমে ঘোষা সুৰত কীৰ্তনৰ ঘোষা গাই দ্বিতীয় পৰ্যায়ত পদৰ সুৰ আৰম্ভ কৰা হয়। অৰ্থাৎ নামৰ সুৰ হিচাপে কীৰ্তন-ঘোষা পৰিবেশন কৰিলে কীৰ্তন-পুথি পঢ়াৰ পাঠৰ সুৰৰ কথা নাহে। নামৰ ক্ষেত্ৰতো সুৰ দুটা ভাগত বিভক্ত হৈছে- ঘোষা সুৰ আৰু পদৰ সুৰ।

ঘোষা-সুৰীয়া কীৰ্তন গাঁওতে কোনো বাদ্যযন্ত্ৰৰ ব্যৱহাৰ নহয় আৰু ৰাগমিশ্ৰিত ভাৱে ঘোষা গোৱা হয়। ঘোষা শেষ হোৱাৰ লগে লগে পদেৰে নতুন সুৰ আৰম্ভ কৰা হয় আৰু পদৰ মাজে মাজে ঘোষাটো দোহাৰি থকা হয়।

এই সুৰ সমূহৰ মাজত ভাঙনি সুৰো লক্ষণীয় বিষয়। পাঠকে কীৰ্তনৰ মাজত ভাঙনি বিলাক বেলেগ বেলেগ সুৰত প্ৰয়োগ কৰে। কিছুমান সত্ৰত ভাঙনি বিলাক ঘোষাৰ মাজেদি প্ৰয়োগ কৰা হয়। ভাঙনি দিওঁতে নাম-ঘোষাৰ পৰা দিহা হিচাপে প্ৰয়োগ কৰা হয়। ঘোষাৰ সুৰ ওপৰৰ সুৰ তলত সুৰ দুটা ভাগত বিভক্ত হৈ থাকে। ভাঙনি কীৰ্তন মানে শ্ৰোতাই বুজি নোপোৱা কীৰ্তনৰ তাৎপৰ্য পাঠকজনে ফঁহিয়াই বুজাই দিয়া অংশ। ‘ত্ৰাহি দেৱ দামোদৰ দীন দয়াশীল হৰি/কৰোহো নিস্তাৰ তোমাৰ চৰণে শৰণ পশিলো আমি।’ — এই পদটিৰ ‘ত্ৰাহি দেৱ-দামোদৰ দীন দয়াশীল হৰিৰ’ সুৰটি ওপৰৰ সুৰত যাব আৰু ‘কৰোহো নিস্তাৰ তোমাৰ চৰণে শৰণ পশিলো আমি’ টো ভাঙনি হিচাপে অলপ নিম্ন সুৰত গোৱা হয়। সত্ৰসমূহৰ নাম প্ৰসঙ্গত গুৰুজনাৰ তিথিসমূহ বা কিছু উপলক্ষ্যত তিনি-চাৰি বাৰলৈকে ভাঙনি দিয়া হয়। ভাঙনি বিলাকৰ মাজেদি কীৰ্তনৰ সুৰবিলাক দীঘলীয়াকৈ বেলেগ-বেলেগ ধৰণে ওলাই আহে।

আলোচনাৰ সিদ্ধান্তত ক’ব পাৰি যে কীৰ্তন-ঘোষাৰ পাঠ আৰু নাম প্ৰসঙ্গত শঙ্কৰদেৱে নিৰ্দিষ্ট সুৰ অথবা ৰাগ বান্ধি থৈ যোৱাৰ বিষয়ে নিশ্চিত হ’ব নোৱাৰি যদিও পৰম্পৰাগতভাৱে বিভিন্ন পৰিবেশত কীৰ্তনৰ সুৰৰ গাম্ভীৰ্য ভিন্ন ধৰণে ৰক্ষিত হৈ আহিছে। কীৰ্তন-ঘোষা গাবৰ বাবেই ৰচিত হৈছিল আৰু ই গীত, বাদ্য আৰু মানুহৰ ভক্তিময় চেতনাৰ সমাহাৰ।

**কীৰ্তন-ঘোষাৰ পৰিৱেশন পৰম্পৰা আৰু লোকজীৱনত স্থান ঃ**

**ৰাজহুৱা অনুষ্ঠানত কীৰ্তনৰ পৰম্পৰা ঃ**

(১) **শঙ্কৰদেৱ-মাধৱদেৱ আদি গুৰুসকলৰ আৰ্বিভাৰ তিথি ঃ** নৱবৈষ্ণৱ ধৰ্মৰ শঙ্কৰদেৱকে প্ৰমুখ্য কৰি গুৰুসকলৰ আৰিৰ্ভাৱ তিথিত কীৰ্তন-ঘোষাৰ পৰা প্ৰধানকৈ দুটি খণ্ডৰ কীৰ্তন দিয়া হয়। সেয়া হ'ল- চৰ্তুবিংশতি অৱতাৰ বৰ্ণন আৰু ভাগৱতৰ তাৎপৰ্য।

(২) **তিৰোভাৱ তিথি ঃ** তিৰোভাৱ তিথিসমূহত কীৰ্তন-ঘোষাৰ প্ৰহ্লাদ চৰিত্ৰ, কংসবধ, শ্ৰীকৃষ্ণ বৈকুণ্ঠ প্ৰয়াণ— খণ্ডকেইটিৰ পৰা নিৰ্বাচিত কীৰ্তন দিয়া হয়।

(৩) **শ্ৰীশ্ৰী কৃষ্ণৰ জন্মাষ্টমী ঃ** শ্ৰীশ্ৰী কৃষ্ণৰ জন্মাষ্টমীত শিশুলীলা খণ্ডৰ প্ৰথম কীৰ্তন টি গোৱা হয়।

(৪) **ফাকুৱা উৎসৱ ঃ** ফাকুৱা অৰ্থাৎ ফল্গুৎসৱৰ কীৰ্তনত কীৰ্তন-ঘোষাৰ চৰ্তুবিংশতি অৱতাৰ বৰ্ণন আৰু উৰেষা বৰ্ণনৰ কীৰ্তন গোৱা হয়।

(৫) **নামঘৰ প্ৰতিষ্ঠা দিৱস ঃ** নামঘৰৰ প্ৰতিষ্ঠা দিৱস অৰ্থাৎ স্থায়ী আসন প্ৰতিষ্ঠাৰ উপলক্ষ্যত কীৰ্তন-ঘোষাৰ চৰ্তুবিংশতি অৱতাৰ বৰ্ণন, ধ্যানবৰ্ণন উৰেষা বৰ্ণন, ভাগৱতৰ তাৎপৰ্য, বেদস্তুতি— খণ্ড কেইটিৰ পৰা কীৰ্তন পাঠ কৰা হয়।

**ব্যক্তিগত গৃহত কীৰ্তনৰ পৰম্পৰা ঃ**

(১) **নৱজাতকৰ শুদ্ধিকৰণ উপলক্ষ্য ঃ** নৱজাতক শিশুৰ শুদ্ধিকৰণৰ বাবে শ্ৰীকৃষ্ণৰ শিশুলীলাৰ কীৰ্তন দিয়া হয়। প্ৰধানতঃ প্ৰথম আৰু দ্বিতীয় কীৰ্তনৰ পাঠ কৰা হয়।

(২) **বিবাহ উপলক্ষ্য ঃ** বিবাহ উপলক্ষ্যত স্যমন্ত হৰণ আৰু নাৰদৰ কৃষ্ণদৰ্শন খণ্ডৰ পৰা কীৰ্তন দিয়া হয়।

স্যমন্তক হৰণ ঃ

ঘোষা ঃ হৰি ৰাম ৰাম ৰাম ৰাম ৰাম হৰি
ডাকিয়া ঘুষিয়ো শীঘ্ৰে কৰি।

পদ ঃ দেও কন্যা বিবাহ কৃষ্ণক।
দিবো মণি স্যমন্ত যৌতুক।।

(৩) **মৃত্যু সম্পৰ্কীয় উপলক্ষ্য ঃ** গৃহস্থৰ গৃহত মৃতকৰ আত্মাৰ সদগতি বাবে দহা, কাজ, ছমহীয়া, বাৰ্ষিক মৃত্যুতিথি বা শ্ৰাদ্ধ কৰা হয়। এনে উপলক্ষ্যত প্ৰহ্লাদ চৰিত্ৰ, কংসবধ, শ্ৰীকৃষ্ণৰ বৈকুণ্ঠপ্ৰয়াণ খণ্ডৰ পৰা কীৰ্তন প্ৰসঙ্গ কৰা হয়।

**(৪) গৃহত ৰিষ্টাদি খণ্ডনৰ উপলক্ষ্য ঃ** মানুহৰ গা অসুখ বা বিভিন্ন ব্যক্তিগত সমস্যা কিবা ৰিষ্টৰ বাবে হোৱা বুলি ধৰিলে, সেই ৰিষ্টাদি খণ্ডনৰ বাবে কীৰ্তন-ঘোষাৰ চৰ্তুবিংশতি অৱতাৰ বৰ্ণন আৰু নাম অপৰাধ খণ্ডৰ কীৰ্তন দিয়া হয়।

**(৫) গোঁসাই ঘৰ প্ৰতিষ্ঠা ঃ** ব্যক্তিগত গৃহত গোঁসাই ঘৰ সাজি আসন প্ৰতিষ্ঠা কৰোঁতেও ৰাজহুৱা নামঘৰ প্ৰতিষ্ঠাৰ সময়ত ব্যৱহৃত কীৰ্তন-ঘোষাৰ চৰ্তুবিংশতি অৱতাৰ বৰ্ণন, ভাগৱতৰ তাৎপৰ্য, বেদস্তুতি খণ্ডৰ কীৰ্তন গোৱা হয়।

সংহতি তথা সত্ৰভেদে নাম-প্ৰসঙ্গৰ সামান্য অমিল লক্ষ্য কৰিলেও কীৰ্তন-ঘোষাৰ পাঠ আৰু পৰিৱেশন ৰীতিৰ সামগ্ৰিক পৰিচয় এনেধৰণৰ- নামঘৰ আৰু স্বগৃহত আনুষ্ঠানিকভাৱে প্ৰসঙ্গ কৰাৰ অনুষ্ঠানত কীৰ্তন-ঘোষা অপৰিহাৰ্য অংগ। গুৰু আসন প্ৰতিষ্ঠা নিয়মানুসাৰে কৰাৰ পাছত প্ৰতিষ্ঠাপকে ভক্তি সহকাৰে এখনি নৱবস্ত্ৰৰে আবৃত কৰি গুণমালা শাস্ত্ৰখন আসনত প্ৰতিষ্ঠা কৰে। স্থায়ী গুৰু আসন প্ৰতিষ্ঠাৰ পাছত নামাচাৰ্য আৰু ভকতসকলে অৰ্দ্ধবৃত্তাকাৰে আসনত উপবিষ্ট হয়। আসনত বহাৰ আগেয়ে সকলোৱে পৰিস্কাৰভাৱে স্নান কৰি নিৰ্দিষ্ট সাজ-পাৰ পৰিধান কৰিব লাগে। নিৰ্দিষ্ট সাজ-পাৰ— শুভ্ৰ ধুতি, চেলেং আৰু গামোছা। পায়জামা, লংপেণ্ট পিন্ধি নাম-প্ৰসঙ্গত অংশগ্ৰহণ কৰাটো নিষিদ্ধ। সম্পূৰ্ণ সাত্বিক আৰু আধ্যাত্মিক ভাৱাদৰ্শৰে পুষ্ট হৈ নাম-প্ৰসঙ্গ অনুষ্ঠানত অংশগ্ৰহণ কৰিব লাগে। শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ নিয়ম অনুসৰি দিনৰ প্ৰসঙ্গত বৰগীত, কৃষ্ণ ডকা, ঘোষণী-ঘোষা, দিহা ঘোষা, কীৰ্তন আৰু উপদেশ প্ৰসঙ্গৰ অঙ্গ সন্ধ্যা প্ৰসঙ্গত গুৰুভটিমা, দেৱভটিমা, গুণমালা, তোটয়, চপয়, লীলামালা, বৰগীত গোৱা হয়। কীৰ্তন-ঘোষাৰ বিভিন্ন খণ্ডৰ পৰা পৰ্যায়ক্ৰমে নাম-প্ৰসঙ্গত গোৱা হয়। ক্ৰম নভঙাকৈ যথোপযুক্ত সময়ত কীৰ্তন-ঘোষাৰ পৰা পদ গোৱা হয়।

> ... যি কীৰ্তন-ঘোষা গোৱা হয়, সেই কীৰ্তন-ঘোষাৰ শব্দৰ শুদ্ধতা আৰু স্পষ্টতাৰ প্ৰতি লক্ষ্য ৰাখিব লাগে।... নিত্য প্ৰসঙ্গত এটিকৈ কীৰ্ত্তন দিব লাগে। নৈমিত্তিক কামত (যেনে- মৰণাশৌচ, কোনো গৃহস্থীৰ ঘৰৰ কামত) দুটিকৈ কীৰ্ত্তন দিব লাগে। গুৰু কীৰ্তনত (মহাপুৰুষ দুজনাৰ আৱিৰ্ভাৱ মহোৎসৱত) তিনিটিলৈকে কীৰ্তন দিব পাৰিব। নামাচাৰ্য গৰাকীৰ কীৰ্তন দিয়াৰ সম্পূৰ্ণ দায়িত্ব থাকিব। (২য়, ৩য় কীৰ্তনো নামাচাৰ্যয়ে দিব)। একাধিক কীৰ্তন দিওঁতে কীৰ্তনৰ অধ্যায়লৈ লক্ষ্য ৰাখি (কীৰ্তনৰ ক্ৰম ৰক্ষা কৰি) পাছৰ কীৰ্তন দিব।[১০]

১০. শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ *প্ৰসংগ প্ৰণালী*, পৃ. ১৩

নাম-প্ৰসঙ্গৰ অন্তত পাঠ প্ৰসঙ্গ কৰা হয়। এই অনুষ্ঠানত পাঠকে 'কীৰ্তন-ঘোষা'ৰ পৰা কীৰ্তন পাঠ কৰে। এই পাঠ পাঠকে সুবিধা অনুযায়ী পূব বা উত্তৰ দিশলৈ মুখ কৰি ভক্তি সহকাৰে কৰে।

নিত্য প্ৰসঙ্গৰ কোন সময়ত কি কীৰ্তন গোৱা হয়, তাকে পৰ্যায়ক্ৰমে উল্লেখ কৰা হ'ল।

**ক) পুৱাৰ কীৰ্তন ঃ** অৰ্দ্ধবৃত্তাকাৰ অৰ্থাৎ মালাকৃতিৰে ভকতসকলে বহি নাম-প্ৰসঙ্গ কৰে। পাঠকীয়ে কীৰ্তনটি লগাই দিয়ে আৰু বাকীসকলে দোহাৰে। কীৰ্তন সদায় উপলক্ষ্যৰ লগত ৰজিতা খুৱাই গোৱা হয়। গতিকে পুৱাৰ ভাগৰ নাম-প্ৰসঙ্গত কীৰ্তন-ঘোষাৰ চতুৰ্বিংশতি অৱতাৰ বৰ্ণন, বেদস্তুতি খণ্ডৰ পৰা সাধাৰণতে কীৰ্তন দিয়া হয়।

**১) চতুৰ্বিংশতি অৱতাৰ বৰ্ণন ঃ**

ঘোষা ঃ জয় হৰি গোবিন্দ নাৰায়ণ ৰাম
কেশৱ হৰি ৰাম ৰাম কেশৱ হৰি।।

পদ ঃ প্ৰথমে প্ৰণামো ব্ৰহ্ম ৰূপী সনাতন।
সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ।।
ত্ৰৈলোক্যক আক্ৰমিলা চৰণৰ গতি।
তযু পাদোদকে গংগা ভৈলা উতপতি।। (১ম কীৰ্তন)

**২) বেদস্তুতি ঃ**

ঘোষা ঃ এ হৰি ৰাম হৰি অনন্ত মুৰাৰি।
ভকত বৎসল নিয়ো সেৱক উদ্ধাৰি।।

পদ ঃ জগত সংহৰি শুতি আছা নাৰায়ণ।
প্ৰথম নিশ্বাসে বাজ ভৈল বেদগণ।।

... ... ...

সদায় থাকোক মোৰ মন তযু পাৰে।
বোলা হৰি হৰি আবে প্ৰাণ থাকে যাৰে।।১১ (১ম কীৰ্তন)

**খ) বিয়লিৰ কীৰ্তন ঃ** বিয়লিৰ কীৰ্তনৰ ক্ষেত্ৰতো উপলক্ষ্য অনুসৰি প্ৰধান নাম লগাওঁতা বা পাঠকীজনে কীৰ্তন দিব পাৰে।

**গ) সন্ধ্যা কীৰ্তন ঃ** সন্ধ্যা প্ৰসঙ্গত অন্যান্য গুৰু ভটিমা, দেৱ ভটিমা, গুণমালা প্ৰভৃতি গোৱাৰ পাছত কীৰ্তন-ঘোষাৰ 'লীলামালা' খণ্ডৰ পৰা কীৰ্তন গাব লাগে।

ঘোষা ঃ বন্ধু মাধৱ হে
তুৱা বিনে আহে আৰ তাৰক কে।
বন্ধু মাধৱ হে।। ২

পদ ঃ শুক মুনি ৰাজাক কহন্ত বিদ্যমান।
কৃষ্ণ লীলা-মালা আবে শুনা সাৱধান।।

... ... ...

গোপগণে তালক ভুঞ্জিল কণ্ঠ ভৰি
শঙ্কৰে ৰচিলা ডাকি বোলা হৰি হৰি।। ১৬ (১ম কীৰ্তন)

আৰু,

ঘোষা ঃ ত্ৰাহি গোবিন্দ অন্তকে গ্ৰাসে।
নাসে নাথ নিন্দ ত্ৰাহি গোবিন্দ।। ২

পদ ঃ বিষময় হ্ৰদ তাক নজানি
মৰিল গৰু-গোপ পিয়া পানী।।

... ... ...

কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে ভণে।
হৰি হৰি বোলা সমস্ত জনে।। ৩২ (২য় কীৰ্তন)

**কীৰ্তনৰ উপস্থাপন ৰীতি ঃ**

নামপ্ৰসঙ্গৰ ক্ষেত্ৰত ভোৰতালৰ ব্যৱহাৰ কৰা হয়। সঙ্গীত সদায় তাল নিৰ্ভৰ, নাম প্ৰসঙ্গত হাতচাপৰিয়ে সাংগীতিক মাধুৰ্য অটুট ৰখাত বিশেষ ভূমকা গ্ৰহণ কৰে। নাম প্ৰসঙ্গৰ কীৰ্তন আৰম্ভ কৰোতে কীৰ্তন-ঘোষাৰ ঘোষাৰ প্ৰথম তিনিটা কূট কোনো বাদ্য নবজোৱাকৈ গাব লাগিব। ইয়াৰ পাছতে পদৰ প্ৰথম শব্দটোৰ পৰা হাতচাপৰি আৰম্ভ কৰা হয়। আৰু হাত চাপৰিক খালী অংশত দ্বিতীয় শব্দটোৰ পৰা

তাল আৰম্ভ হয়। উদাহৰণস্বৰূপে—

**ঘোষা ঃ** জয়হৰি গোবিন্দ নাৰায়ণ ৰাম কেশৱ হৰি।

ৰাম ৰাম কেশৱ হৰি।

(এই অংশ বাদ্যবিহীন)

**পদ ঃ** প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন।

সৰ্ব অৱতাৰৰ কাৰণ নাৰায়ণ।।

.......

তযু পাদোদকে গঙ্গা ভৈল উত পতি।।

(হাত চাপৰি /তাল সমন্বিত কীৰ্তন)

**সামৰণি ঃ** ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম ৰাম (দুবাৰ আঠচাপৰি)

হৰি ৰাম ৰাম ৰাম (৪ বাৰ ৮ চাপৰি)

কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ ৰাম কৃষ্ণ ( ২ বাৰ ৮ চাপৰি)

ৰাম ৰাম ৰাম ৰাম (৪ বাৰ যোল্ল চাপৰি)

ৰা-ম, ৰা-ম, ৰা-ম, ৰাম (চাৰি চাপৰি)

— এইদৰে নামপ্ৰসঙ্গত কীৰ্তন কৰা হয়।

**কীৰ্তন-ঘোষাৰ গায়ন ৰীতিত বাদ্যযন্ত্ৰৰ ব্যৱহাৰ ঃ**

কীৰ্তন পৰিৱেশনত সুৰ-তাল-লয় নিৰ্দ্ধাৰণ কৰিবলৈ বাদ্যযন্ত্ৰৰ অপৰিহাৰ্যতাও লক্ষণীয় বিষয়। কীৰ্তনৰ সাংগীতিক ৰূপ অটুট ৰাখিবলৈ শংকৰদেৱে এবিধ প্ৰধান বাদ্যৰ ব্যৱহাৰ নিশ্চিত কৰিছিল। সেই বাদ্যবিধ হৈছে তাল। কীৰ্তন-সঙ্গীতৰ প্ৰধান বৈশিষ্ট্য হ'ল ই হাত চাপৰিৰ দ্বাৰাহে নিয়ন্ত্ৰিত হয়। যেতিয়া হাত-চাপৰি বজোৱা হয়, শৰীৰতো জোকাৰণি সৃষ্টি হৈ এক ভক্তিময় আৱেশৰ সৃষ্টি হয়। কীৰ্তনৰ ছান্দসিক ৰূপটো শুদ্ধৰূপত সংৰক্ষণ কৰি প্ৰধান নাম লগাওঁতা বা পাঠকী আৰু ভকতসকলে ১,২,৩,৪,৫ আদি মাত্ৰাৰ জোখত কীৰ্তন সাংগীতিক ৰূপত উপস্থাপন কৰোতে চাপৰি বজোৱাৰ নিয়ম। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ৰীতি মতে মূল পাঠকী অৰ্থাৎ নামাচাৰ্য্যই প্ৰথমে খৰকৈ চাপৰি বজাইপদ আৰম্ভ কৰিব নালাগে। পদৰ প্ৰথম শব্দটোৰ লগে লগে চাপৰি আৰম্ভ কৰিব লাগে।

ভকতবৃন্দৰ দুই হাতৰ বুলনিত যি সমস্বৰিত সুন্দৰ সুৰধ্বনিৰ সৃষ্টি হয়, সেয়ে হাতচাপৰি। কীৰ্তন-

ঘোষাৰ নাম প্ৰসঙ্গত হাত চাপৰি এৰাব নোৱাৰা বাদ্য-যন্ত্ৰ সদৃশ অংগ। কীৰ্তন-ঘোষাৰ পৰিৱেশনত অসমৰ বাদ্যযন্ত্ৰসমূহৰ ভিতৰত ঘনবাদ্য তালৰ ব্যৱহাৰ অতিকে গুৰুত্বপূৰ্ণ। কাঁহ ধাতুৰে তাল বাদ্য সজা হয়। ইয়াৰ মাজ ডোখৰ উঠা আৰু তাতে দুইফালে বিন্ধা কৰি জৰি সুমুৱাই বান্ধি ভকতে দুহাতে দুপাত তাল লৈ ঘষৰ্ণ কৰি হাত চাপৰিৰ লয় ৰক্ষা কৰি বজায়। ৰামতাল, ভোৰতাল, পাতিতাল আৰু কৰতাল কেইপ্ৰকাৰমান তালবাদ্যৰ নাম।

কীৰ্তন-ঘোষাৰ সুৰত বিলম্বিত, মধ্য, দ্ৰুত- আটাইকেইটা লয়ৰ ব্যৱহাৰ হয়। ঘোষা বা পদসমূহ গাঁওতে এটা মাত্ৰাৰ পৰা আন এটা মাত্ৰালৈ যাঁওতে মাজৰ সময়খিনিৰ ব্যৱধানকেই লয় কোৱা হয়। নামপ্ৰসঙ্গমূলক অন্যান্য সংগীতৰ বিভাগতো তাল ৰক্ষা কৰিবলৈ হাত চাপৰি বজোৱা হয়। চাপৰি নপৰা অংশ খালি থাকে। এই খালী অংশতে নামপ্ৰসঙ্গৰ কীৰ্তনত ভোৰতাল বাদ্য বজোৱা হয়। এই বাদ্যই ভক্তিৰ গাঢ়তা বঢ়াই নামঘৰত ভক্তসকলৰ মাজত গমগমীয়া পৰিবেশ এটাৰ সৃষ্টি কৰে। কীৰ্তন-ঘোষাৰ তাল বজাই কৰা প্ৰসঙ্গ অতি শিহঁৰণ মূলক। কীৰ্তন-ঘোষাৰ প্ৰসঙ্গত কেৱল ভোৰতাল হে ব্যৱহৃত হয়; অন্যান্য তালৰ ব্যৱহাৰ নহয়। কীৰ্তনৰ তাল বোলত বন্ধা নহয়। সাধাৰণ দৃষ্টিত কীৰ্তনৰ তাল-ৰীতি অতি সহজ আৰু সাধাৰণ। কিন্তু ই প্ৰকৃততেই অসাধাৰণ গুণসম্পন্ন। কীৰ্তনৰ ঘোষা দিওঁতে কোনো বাদ্যৰ ব্যৱহাৰ কৰা নহয়। পদৰ আৰম্ভ হওঁতে মৃদু ঘৰ্ষণৰে ভোৰতাল বজোৱা হয়। তাৰ পাছত কীৰ্তনত প্ৰথম চাপৰি পাৰ হৈ যোৱাৰ সময়তে ভোৰতাল বাদন কৰা হয়। অৰ্থাৎ হাত-চাপৰিয়ে কীৰ্তনৰ তাল নিয়ন্ত্ৰণ কৰে। সঙ্গীত সদায় তাল নিৰ্ভৰ, নাম প্ৰসঙ্গত হাতচাপৰি আৰু ভোৰতালে তাল ৰক্ষা সাংগীতিক মাধুৰ্য অটুট ৰাখে। কেতিয়াবা নাগাৰাও ব্যৱহাৰ কৰা দেখা যায়।

### ৪.০২ শ্ৰীমন্ত শঙ্কৰদেৱৰ সংঘৰ ধৰ্মীয় জীৱন আৰু আচাৰ অনুষ্ঠানত কীৰ্তনৰ ভূমিকা ঃ

শঙ্কৰদেৱৰ মহাপ্ৰয়াণৰ পৰৱৰ্তী সময়ত আহোম ৰাজত্বৰ অন্তিম পৰ্যায়ত লাহে লাহে শঙ্কৰী দৰ্শনৰ প্ৰভাৱ স্তিমিত হৈ অহা পৰিলক্ষিত হৈছিল। শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্মীয় দৰ্শনৰ মাজত তেওঁৰ উত্তৰাধিকাৰীসকলে বিভিন্ন ধৰণৰ মতৰ প্ৰৱেশেৰে উক্ত ধৰ্মীয় দৰ্শনটি ক্ৰমশ ঃ বহু বিভাজিত হৈ পৰিবৰ উপক্ৰম কৰাইছিল। সত্ৰ সংস্কৃতিৰ বিকাশ আৰু সংহতি বিভাজন হৈছিল। ব্ৰহ্ম সংহতি, পুৰুষ সংহতি, কাল সংহতি আৰু নিকা সংহতি- শ্ৰেণী বিভাজনৰে বৈষ্ণৱ ভক্তসকলৰ মাজতো পাৰ্থক্যই দেখা দিছিল। শঙ্কৰদেৱৰ মহাপ্ৰয়াণৰ পাছৰ সময়চোৱাত সম্ভৱত, অসমৰ বিচিত্ৰ জনগোষ্ঠীৰ মাজত তেওঁৰ ভক্তি ধৰ্ম প্ৰসাৰিত কৰোঁতা সকলৰ মাজত মতৰ পাৰ্থক্যৰ বাবে এই সংহতি বিভাজনৰ প্ৰসংগ আহি পৰিছিল।

কোঁচ ৰজা নৰনাৰায়ণৰ সময়ৰ পৰাই শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰচাৰিত ধৰ্মই প্ৰচুৰভাৱে ৰাজকীয় পৃষ্ঠপোষকতা লাভ কৰিবলৈ আৰম্ভ কৰিছিল বুলি ইতিহাসে কয়। শ্ৰীমন্ত শঙ্কৰদেৱৰ পৰৱৰ্ত্তী বৈষ্ণৱসকলে সত্ৰ প্ৰতিষ্ঠাৰ দ্বাৰা ধৰ্মীয় সচেতনতা বৃদ্ধিত গুৰুত্ব আৰোপ কৰিছিল। 'আউনিআটি, গড়মূৰ, দক্ষিণপাট-সত্ৰ কেইখনে জয়ধ্বজ সিংহৰ ৰাজকীয় পৃষ্ঠপোষকতা লাভ কৰিছিল'।[১১] লাহে লাহে শাসকীয় পক্ষ আৰু সত্ৰসমূহৰ মাজত তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক পৰিস্থিতিৰ উদ্ভৱ হ'বলৈ আৰম্ভ কৰিছিল। সত্ৰসমূহো প্ৰতিপত্তিশীল হৈ পৰাত ৰাজতন্ত্ৰৰ সৈতে সংঘাত অৱশ্যাম্ভাৱী হৈ পৰিছিল।

আহোম ৰজাসকলে হিন্দু ধৰ্মীয় পৰম্পৰা ৰক্ষণাবেক্ষণত যথেষ্ট গুৰুত্ব দিয়া পৰিলক্ষিত হয় যদিও আহোম শাসনৰ সময়তে সমাজত শাক্ত আৰু বৈষ্ণৱ দুটা ধাৰাৰ প্ৰাচীন সংঘাত আৰু জাতি-ভেদ প্ৰথাৰ প্ৰভাৱ পুনৰ প্ৰৱল হোৱাৰ উপক্ৰম হৈছিল। প্ৰথম অৱস্থাৰ নৱ-বৈষ্ণৱ ভক্তিধৰ্মীয় প্ৰৱক্তাসকল বৈষয়িক সম্পত্তি তথা ভোগৰ প্ৰতি নিৰ্মোহ আৰু সাম্যবাদী আদৰ্শৰ বাৰ্তাবাহক আছিল, কিন্তু ৰাজকীয় পৃষ্ঠপোষকতাত প্ৰতিপত্তিশীল হৈ পৰাত সত্ৰসমূহৰ মাজত সংঘৰ্ষমূলক পৰিস্থিতিৰ উদ্ভৱ হৈছিল। মহেশ্বৰ নেওগে এই সন্দৰ্ভত বিস্তৃত পৰ্যালোচনা আগবঢ়াইছে *শ্ৰীশ্ৰী শঙ্কৰদেৱ* গ্ৰন্থত।

আহোম স্বৰ্গদেৱ শিৱ সিংহৰ সময়তে শঙ্কৰী ধৰ্ম গভীৰ সংকটজনক পৰিস্থিতিৰ মুখামুখি হৈছিল। মায়ামৰীয়া মহন্ত আদি বৈষ্ণৱ সজ্জনসকলক শিৱসিংহৰ কুঁৱৰী বৰৰজা ফুলেশ্বৰীয়ে ধৰ্ম সংক্ৰান্তীয় দিশত তীব্ৰভাৱে অপমানিত কৰি বৈষ্ণৱ ভক্তসকলক শাক্ত ধৰ্ম গ্ৰহণৰ বাবে বাধ্য কৰোৱাইছিল। সমগ্ৰ দেশত ৰাজ-ধৰ্ম আৰু জন-ধৰ্মৰ মাজত বিভেদৰ সূত্ৰপাত হৈছিল। গতিকে সমাজত 'একশৰণ হৰিনাম ধৰ্ম'ৰ প্ৰভাৱ বহু পৰিমাণে স্তিমিত হ'বলৈ আৰম্ভ কৰিছিল। এইদৰে শ্ৰীমন্ত শঙ্কৰদেৱৰ পৰৱৰ্তী সময়ৰ প্ৰায় ৫৫০ বছৰীয়া সুদীৰ্ঘ পৰিক্ৰমাত অসম ৰাজ্যত অসংখ্য ৰাজনৈতিক সামাজিক-অৰ্থনৈতিক উত্থান-পতনে দেখা দিছিল। কিন্তু গভীৰ জীৱনবীক্ষা সম্পন্ন শঙ্কৰী দৰ্শন অসমীয়া জাতীয় জীৱনত আজিকোপতি প্ৰবাহিত হৈ আছে। ভক্তিতত্ব প্ৰসাৰৰ মাধ্যম হিচাপে তেওঁৰ জন-জীৱনৰ কলা-সংস্কৃতিক আকোঁৱালি লৈছিল। নৃত্য, গীত, অভিনয়— লোক পৰিবেশ্য কলাসমূহৰ জৰিয়তে নিষ্কাম ভক্তি মাৰ্গৰ প্ৰদৰ্শনৰে তেওঁ অসমৰ বুকুত অভূতপূৰ্ব সাংস্কৃতিক আন্দোলনৰ বীজ ৰোপণ কৰিছিল। উক্ত সাংস্কৃতিক আন্দোলনৰ সাম্প্ৰতিক অসমীয়া সমাজত বিস্তাৰণ ঘটিছে। তেওঁৰ মানৱতাবাদী ধৰ্ম-দৰ্শন আৰু সাংস্কৃতিক যোগসূত্ৰ অহৰহ জন সমাজৰ মাজত প্ৰবৰ্তন হৈ আছে।

প্ৰধানত ঃ মায়ামৰীয়া গণবিপ্লৱেই আহোম ৰাজতন্ত্ৰৰ পতনৰ কাৰণ আছিল। এই পৰিপ্ৰেক্ষিতত

---

১১. যতীন কুমাৰ বৰগোহাঞি, *অসমৰ সাংস্কৃতিক ইতিহাস*, পৃ. ১৭২

হোৱা ধৰ্মযুদ্ধৰ বাবে অসমত বিশৃংখল পৰিস্থিতিৰ উদ্ভৱ হৈছিল। বৈষ্ণৱ ধৰ্মৰ নামতো ব্যভিচাৰ চলিবৰ উপক্ৰম হৈছিল। এনে পৰিস্থিতিৰ অৱসান ঘটাবলৈ সমগ্ৰ অসমতে আঞ্চলিক ভিত্তিক ধৰ্মীয়-সামাজিক প্ৰতিবাদী অনুষ্ঠান কিছুমানে গঢ় লৈ উঠিছিল।

শ্ৰীমন্ত শঙ্কৰদেৱৰ বিশুদ্ধ 'একশৰণ হৰিনাম ধৰ্ম' কৰ্ম কাণ্ডীয় আচাৰ নীতিয়ে আৱৰি ধৰাৰ পৰিপ্ৰেক্ষিতত কুৰি শতিকাৰ দ্বিতীয়-তৃতীয় দশকত অসমৰ বিভিন্ন প্ৰতিবাদী বৈপ্লৱিক ধৰ্মীয় সংগঠনৰ সৃষ্টি হৈছিল- ১) ঘনশ্যাম বৰুৱা ৰাজহুৱা সভাঘৰ (১৯০৯-১০), ২) মৰিগাঁও জিলাৰ বাৰপূজীয়াত মুক্তিয়াৰৰ উদ্যোগত ধৰ্মালোচনী সভা বা প্ৰাৰ্থনা সভা (১৯১৫-১৬), ৩) নগাঁৱৰ কলিয়াবৰত জন্ম হৈছিল 'সনাতন ধৰ্মসভা' (১৯২৩), ৪) নগাঁও জিলাৰ পলাশনি নামঘৰসমূহৰ মাজত জ্ঞানমালিনী সভা (১৯২৪) আদি। ইয়াৰ পাছত ১৯২৭-২৮ চন মানত হলধৰ ভূএঞা আৰু ৰমাকান্ত মুক্তিয়াৰ নামৰ দুগৰাকী ধৰ্ম বিপ্লৱীৰ সংগঠিত নেতৃত্বত ১৯৩০ চনতে শঙ্কৰ সংঘ নামকৰণেৰে বৰ্তমানৰ উত্তৰ পূব ভাৰতৰ সৰ্ববৃহৎ সামাজিক, ধৰ্মীয়-সাংস্কৃতিক আৰু শৈক্ষিক অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ জন্ম হৈছিল।

শ্ৰীমন্ত শঙ্কদেৱ সঙঘৰ ধৰ্মীয় জীৱন আৰু আচাৰ অনুষ্ঠানত 'কীৰ্তন-ঘোষা'ই বিশিষ্ট স্থান অধিকাৰ কৰি আহিছে। সত্ৰ অনুষ্ঠানৰ দৰে সংঘতো নিত্য-নৈমিত্তিক অনুষ্ঠানতো কীৰ্তন-ঘোষা অপৰিহাৰ্য অংগ। নিত্য-প্ৰসঙ্গত কীৰ্তন-ঘোষাৰ পৰা এটিকৈ পদ দিয়াৰ নিয়ম আছে। শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ বাৰ্ষিক অধিবেশনত 'সাংস্কৃতিক শোভাযাত্ৰা' বা 'ভাগৱত ভ্ৰমণ' কৰা হয়। সু-সজ্জিতভাৱে ভাগৱত সুবিধাজনক বাহনত স্থাপন কৰি গায়ন-বায়ন, বৰগীত, কীৰ্তন, দিহা-নাম, খোল-তাল, ডবা, কাঁহ, নেগেৰা, শঙ্খ আদি বাদ্যৰে পৰিবেশন কৰি শোভাযাত্ৰা কৰা হয়।

শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ এখন বিজ্ঞানসন্মত সংবিধান আছে। এই সংবিধানত লিখিত নিয়মাৱলীৰ কাৰ্যকৰী অনুশীলনৰ দ্বাৰা অনুষ্ঠানটিয়ে শঙ্কৰদেৱৰ মতাদৰ্শ দৃঢ়ভাৱে সংৰক্ষিত কৰি ৰখাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা কিদৰে পালন কৰি আহিছে অনুধাৱন কৰিব পাৰি। শঙ্কৰদেৱে নাম-দেৱ-ভকত আৰু মাধৱদেৱে গুৰুৰ ধাৰণাৰে সাম্যবাদী ভকতৰ সৃষ্টি কৰিলেও বৰ্তমান সময়ত কীৰ্তন-ঘোষাৰ তত্ব উপলব্ধি কৰাই প্ৰকৃতাৰ্থত শ্ৰীমন্ত শঙ্কৰদেৱ সংঘইহে এক শৰণ হৰিনাম ধৰ্মৰ ৰক্ষণ কৰিবলৈ সক্ষম হৈছে।

## ৪.০৩ লোকগীতৰ মাজত কীৰ্তন-ঘোষাৰ ব্যাপ্তি ঃ

লোকগীতৰ মাজত কীৰ্তন-ঘোষাৰ ব্যাপ্তি বিচাৰ কৰিবলৈ লোকগীতৰ কেইটামান বিভাগ সাঙুৰি

লোৱা হৈছে। সেইসমূহৰ ভিতৰত দিহানাম, লোকগীত, বিহুগীত, বিয়ানাম, জিকিৰ জাৰী— প্ৰধানকৈ লোৱা হৈছে।

**৪.০৩.১ দিহানাম ঃ**

দিহানাম একপ্ৰকাৰ আখ্যানমূলক কাহিনী গীত। দিহা শব্দৰ বিবিধ প্ৰায়োগিক অৰ্থ আছে। দিহা নাম বুলিলে মানৱ জীৱনৰ তত্ত্ব অৰ্থাৎ দেহ-আত্মাৰ উৎকৰ্ষ সাধনৰ হেতু হৰি ভক্তিৰ নিদেৰ্শনা থকা গীতসমূহকহে বুজা যায়। দিহানাম দলবদ্ধ হিচাপে গোৱা হয়। সাত, ন বা এঘাৰ জনীয়া দলত মূল গায়কজনে দিহাটো লগাই দিয়ে আৰু সহায়ক সকলে বাদ্যযন্ত্ৰ, হাত চাপৰি সংগত কৰি অঙ্গী-ভঙ্গী সহ দিহাটো দোহাৰে। ইয়াৰ পাছত পৰৱৰ্তী পদসমূহ মূল গায়ক জনে পৰৱৰ্তী পদবোৰৰ প্ৰধান অংশবোৰৰ দুই-চাৰি শাৰী অকলে গায় আৰু অন্যান্য সকলে পদৰ শেষাংশ টানি দিহানামৰ পৰিৱেশন সম্পূৰ্ণ কৰে। মুঠতে দিহানাম বুলিলে খৰকৈ গোৱা ঘোষা প্ৰধান নাম বুলি বুজা যায়। শঙ্কৰদেৱ আৰু মাধৱদেৱৰ গভীৰ অনুপ্ৰেৰণাৰ পৰৱৰ্তী ভক্তসকলে এই শ্ৰেণীৰ প্ৰাৰ্থনা সঙ্গীতৰ ৰচনা কৰি মৌখিক পৰম্পৰাত সংৰক্ষিত কৰি আহিছে।

কীৰ্তন-ঘোষা, ৰামায়ণ, মহাভাৰত ইত্যাদিৰ পৰা দিহা আৰু পদ লৈ পৰম্পৰাগতভাৱে দিহানামৰ প্ৰচলন হৈ আহিছে। কীৰ্তন-ঘোষাৰ আধাৰত ৰচিত পৰম্পৰাগত দিহানামসমূহৰ কিছুসংখ্যক যথেষ্ট জনপ্ৰিয়। বৈষ্ণৱ ভক্ত কবিসকলে নাম-প্ৰসঙ্গীয়া নিয়মৰ আৰ্হিত কীৰ্তন-ঘোষাৰ আলমত দিহাৰ সৃষ্টি কৰিলে আৰু স্বসৃষ্ট দিহাসমূহ লৈ কীৰ্তন-ঘোষাৰ বিভিন্ন খণ্ডসমূহৰ পৰা বিভিন্ন পদ সংযোজন কৰি দিহানাম গোৱাৰ পদ্ধতি প্ৰচলন কৰিলে। দিহানামত প্ৰধানতঃ শঙ্কৰদেৱ-মাধৱদেৱ আৰু শ্ৰীকৃষ্ণৰ লীলা-চৰিত্ৰই বিশেষ স্থান লাভ কৰা পৰিলক্ষিত হয়। কীৰ্তন-ঘোষা মূলতঃ একশৰণ হৰিনাম ধৰ্ম প্ৰচাৰৰ বাবে ৰচিত পুথি হোৱা বাবে পৰৱৰ্তী সময়ত কীৰ্তন-পুথিৰ আধাৰত ৰচিত দিহা-নামসমূহত ভগৱান বিষ্ণুৰ মহত্ব প্ৰতিষ্ঠা কৰা দেখা গৈছে। শঙ্কৰদেৱ-মাধদেৱক লৈ ৰচিত দিহানামসমূহ গুৰু বন্দনাৰ সমতুল্য। সেইখিনি আলোচনালৈ অনা হোৱা নাই। দিহানামৰ দিহাসমূহ স্বাভাৱিকতে কীৰ্তনৰ কেইটামান উল্লেখযোগ্য খণ্ডৰ আধাৰত দিয়া হয়, সেইখিনি উল্লেখ কৰিবৰ প্ৰয়াস কৰা হ'ল।

<u>**কীৰ্তনৰ দিহা**</u>

১। চতুৰ্বিংশতি নাম অপৰাধ

পাষণ্ড মৰ্দ্দন কৰি।

ধ্যান বৰ্ণন অজামিল উপাখ্যান

প্ৰ াদ চৰিত্ৰ কৰিলন্ত হৰি।।

২। গজেন্দ্ৰ উপাখ্যান হৰমোহন বলিছলন

শ্ৰীকৃষ্ণ শিশুলীলা কৰি।

কালীক দমিয়া কৰি ৰাসক্ৰীড়া

কংসক বধিবে যায় হৰি।।

৩। কৰি কংশ বধ উদ্ধৱ সংবাদ

কুঁজীৰ বাঞ্ছা পূৰ কৰি।

পুনু অক্ৰূৰৰ বাঞ্ছাক পূৰণ

কৰিলন্ত দেৱ হৰি।।

৪। জৰাসন্ধ যুদ্ধ বধ কালযৱন আৰ।

মুচুকুন্দ ৰাজস্তুতি কৰিলে বিস্তৰ।।

৫। দ্বাৰকাৰ লীলা ইটো স্যমন্ত হৰণ।

নাৰদ কৃষ্ণ দৰশন কৰি নাৰায়ণ।।

৬। ব্ৰাহ্মণৰ মৃত পুত্ৰ কৃষ্ণই দিলে আনি।

দামোদৰ কৃপাদান কৰি চক্ৰপাণি।।

৭। দৈৱকীৰ পুত্ৰ আনি বেদস্তুতি কৰি।

লীলা মালা বৈকুণ্ঠ প্ৰয়াণ কৰিলন্ত হৰি।।

৮। অ' হৰি এ হে সহস্ৰ নাম আছে।

ঊৰেষা কৰি প্ৰভু বৈকুণ্ঠত আছে।।

৯। অ' হৰি এহে সহস্ৰ নাম হ'ল।

ঊৰেষা কৰিয়া প্ৰভু বৈকুণ্ঠত গ'ল।।০।।" [১২]

উদ্ধৃত দিহাখিনি কীৰ্তন-ঘোষাৰ প্ৰায়খিনি অধ্যায়ৰ পৰা আহৰিত অথবা নিৰ্মাণ কৰি লোৱা হৈছে। তদুপৰি কীৰ্তন-ঘোষাৰ বিশেষ খণ্ড কেইটিমানৰ পৰা দিহানাম বেছিকৈ সৃষ্টি কৰা হৈছে। বেছিকৈ

১২. ৰেণু মহন্ত (সংগ্ৰাহিকা), *নামৰ আৰ্হি*, পৃ. ২০৩

প্ৰচলিত কীৰ্তন-ঘোষা আধাৰিত দিহানামসমূহৰ উদাহৰণ প্ৰাপ্ত খণ্ডসমূহৰ পৰা দিয়াৰ প্ৰয়াস কৰা হ'ল—

**(ক) চতুৰ্বিংশতি অৱতাৰ বৰ্ণন ঃ**

দিহা ঃ আহি পালো ভক্তৰ সভা বহি পালো নাম।

শুনি পালো কৃষ্ণ কথা পূৰ্ণ ভৈল কাম।।

পদ ঃ প্ৰথমে প্ৰণামো ব্ৰহ্ম ৰূপী সনাতন।

সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ।।

... ... ...

কৰিলেক পৰি স্তুতি সুৰাসুৰ নাগে।

ধৰিলা মন্দৰ গিৰি প্ৰভু পৃষ্ঠ ভাগে।।[১৩] ইত্যাদি।

**(খ) পাষণ্ড মৰ্দ্দন ঃ**

দিহা ঃ হেৰ পাপী নাম লৈ তৰ।

চামৰ জৰী লোহাৰ দাং

যমৰ শাস্তি বৰ।। [১৪]

**(গ) ধ্যান বৰ্ণন ঃ**

দিহা ঃ শংখ চক্ৰ গদা পদ্ম আছে চাৰি হাতে।

ৰত্নৰ কিৰীটি চিকিমিকি কৰে মাথে।[১৫]

**(ঘ) অজামিল উপাখ্যান ঃ**

দিহা ঃ নাম লোৱা ভাই কত ভৈয়াই অ'

নামক নকৰিবা হেলা।

এই হৰিনামে সংসাৰ তাৰিব

মৰণ সংকটৰ বেলা।।

পদ ঃ হৰিৰ নামৰ শুনিয়ো মহিমা

সাৱধান কৰি চিত্ত।

---

১৩. হেমপ্ৰভা গোস্বামী (সংগ্ৰাহিকা), *দিহানাম*, পৃ. ১০২

১৪. পূৰ্বোল্লিখিত, পৃ. ১৩৪

১৫. উল্লিখিত- পৃ. ১৩৬

অজামিল নামে আছিল ব্ৰাহ্মণ

বেশ্যাত ভৈলা পতিত।

... ... ...

ভয়ে অজামিলে পুত্ৰক ডাকিলা

আইস নাৰায়ণ বুলি।।[১৬]

**(ঙ) প্ৰহ্লাদ চৰিত্ৰ ঃ**

দিহা ঃ দৈত্যেন্দ্ৰৰ চাৰিপুত্ৰ বৈষ্ণৱ প্ৰহ্লাদ।

একদিনা পিতা-পুত্ৰৰ লাগিল বিবাদ।

পদ ঃ ষণ্ডামৰ্ক নামে দুই তনয়।

প্ৰহ্লাদক পঢ়াৱন্ত শাস্ত্ৰ বামানয়।।

... ... ...

কাক ভাল মানা ৰূপ কহিয়ো সত্বৰে।

প্ৰহ্লাদে কহিলন্ত আত অনন্তৰে।[১৭]

**(চ) গজেন্দ্ৰ উপাখ্যান ঃ**

দিহা ঃ *(১)* এ যুদ্ধ লাগিল এ গ্ৰাহ গজেন্দ্ৰৰ।

গৰুড়ৰ স্কন্ধে প্ৰভু আসিল সত্তৰ।।

*(২)* শ্যাম শৰীৰত চন্দনৰে ৰেখা

গোবিন্দ কৃষ্ণাই ৰাম।[১৮]

**(ছ) হৰমোহন ঃ**

দিহা ঃ হ'ৰিলা অমৃত হৰি নাৰী ৰূপ ধৰি।

তাক দেখিবাক উত্ৰাৱল ত্ৰিপুৰাৰী।।

পদ ঃ শুনিলন্ত হৰ যেবে কথা বিপৰীত।

স্ত্ৰীৰূপ ধৰি হৰি হ'ৰিলা অমৃত।।

... ... ...

১৬. পূৰ্বোল্লিখিত, পৃ. ৫৬

১৭. হেমপ্ৰভা গোস্বামী, *দিহানাম* (সংগ্ৰাহিকা), পৃ. ৪৮

১৮. ৰেণু মহন্ত, *নামৰ আৰ্হি* (সংগ্ৰাহিকা), পৃ. ১৯৯

জগত জননী লক্ষ্মী আছন্ত উপাসি।

শঙ্কৰক দেখি হৰি তুলিলন্ত হাঁসি।।[১৯]

**(জ) বলিছলন ঃ**

দিহা ঃ (১) আজ্ঞা কৰা হে মাৰ বলিক ছলিবে যাওঁ।

ছলি বলিক সুতলে পঠাওঁ ঐ ৰাম।।

(২) অ’ৰে বলিৰায় আসিলোহো তজু থান।

তিনিপদ ভূমি উৰ্ৰ্গিয়ো তুমি

আমাক কৰিয়ো দান।।[২০]

**(ঝ) শিশুলীলা ঃ**

দিহা ঃ বসুদেৱে বোলে প্ৰভু কৰিছো প্ৰণতি।

শঙ্খ চক্ৰ গদা পদ্ম ঢাকা যদুপতি।।

পদ ঃ প্ৰসন্ন বদন জ্বলে অলকা তিলক।

বসুদেৱে দেখিলন্ত অদ্ভূত বালক।।

... ... ...

তাহান শয্যাত নিয়া থৈলন্ত তোমাক।

বসুদেৱে আনিলন্ত নন্দৰ কন্যাক।।[২১]

**(ঞ) কালিদমন (শিশুলীলা অনুখণ্ড)**

দিহা ঃ হ্ৰদ মাজে জাম্প দিয়া ঢউ আফালিলা।

জগতৰ ভৰ দিয়া কালীক দমিলা।।

পদ ঃ ব্ৰজৰ জনৰ দুঃখ হৰিবাক প্ৰতি।

ভৈলা অৱতৰি হৰি তোমাৰ সম্প্ৰতি।।

... ... ...

তুমিসি আমাৰ জীৱ প্ৰাণ সমুদায়।

ইহাকেসে সুমৰন্তে প্ৰভু প্ৰাণ যায়।।[২২]

---

১৯. উল্লিখিত, পৃ. ৩৩
২০. উল্লিখিত, পৃ. ১২২
২১. উল্লিখিত, পৃ. ১১২
২২. উল্লিখিত, পৃ. ১৪৪

**(ট) ৰাসক্রীড়া ঃ**

দিহা ঃ ৰাধাই বোলে প্ৰভু মই চলিতে নপাৰো।

কণ্টক বনত কেনমতে খোজ কাঢ়ো।।

পদ ঃ চলি যায় যিটো গোপী কৃষ্ণৰ লগত।

মহাগৰ্ব্ব ভাৰ তাইৰ বাঢ়িলা মনত।।

... ... ...

তোমাৰেসে দাসী মই জানা নাৰায়ণ।

কৈক গৈলা প্ৰভু কৃষ্ণ দিয়া দৰশন।।[২৩]

**(ঠ) কংসবধ ঃ**

দিহা ঃ পাইলো পাইলো হৰিপদ পঙ্কজৰ ধূলি।

ব্ৰহ্মা হৰে শিৰে ধৰে শুদ্ধ হওঁ বুলি।।

পদ ঃ মাধৱৰ খোজচয় দেখিলা ভূমিত।

ধ্বজ বজ্ৰ পঙ্কজ অঙ্কুশে সুশোভিত।।

কহিলন্ত অক্ৰুৰে কংসৰ বিচেষ্টাক।

মথুৰাক যাইবাৰ সাজিলা গোপজাক।।[২৪]

**(ড) গোপী উদ্ধৱ সংবাদ ঃ**

দিহা ঃ কান্দি কান্দি গোপী বোলে কৈয়োহে উদ্ধৱ, কৈয়োহে উদ্ধৱ।

মথুৰাত কুশলেকি আছন্ত মাধৱ।।

পদ ঃ মুনিৰো দুস্তজ্য বন্ধুৰ স্নেহ

আনি আছা জানো কৃষ্ণ সন্দেশ।।

... ... ...

আৰ কি আসিব নন্দৰ পুৰ।

কৈসানি দেখিবো মুখ প্ৰভুৰ।।[২৫]

---

২৩. উল্লিখিত, পৃ. ১৬৮
২৪. উল্লিখিত, পৃ. ১৮৫
২৫. উল্লিখিত, পৃ. ১৮৫

**(ঢ) কুঁজীৰ বাঞ্ছা পূৰণ ঃ**

দিহা ঃ সাজি কাছি শ্যামকাণু ওলায় সন্ধ্যা বেলা।
উদ্ধৱৰ সঙ্গে কুঁজী মন্দিৰ চলিলা।।

পদ ঃ কুবুজাৰ পদূলিতে ৰৈলা বনমালী।
দূৰতে দেখিয়া কুঁজী কৰিলা সেৱলী।।

... ... ...

চৰণত পৰি কুঁজী কৰিলেক স্তুতি।
কৰিয়োক কৃপা মোক ত্ৰিজগতৰ পতি।।[২৬]

**ণ) স্যমন্তক হৰণ ঃ**

দিহা ঃ স্যমন্তক কি কাৰণে পাইলে সত্ৰাজিতে।
শোকত কাতৰ কৰি সোধে পৰীক্ষিত।।

পদ ঃ শুকমুনি বোলন্ত শুনিও পৰীক্ষিত।
কৃষ্ণক কলঙ্ক দিয়া ডৰি সত্ৰাজিত।।

... ... ...

কৈত পাইলা স্যমন্তক মণি মহাৰত্ন।
কিহেতু কৃষ্ণক কন্যা দিলা কৰি যত্ন।।[২৭]

**ত) শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ ঃ**

দিহা ঃ বৈকুণ্ঠে চলিলে প্ৰভু ভগৱন্ত
ভকতক এৰিয়া থৈ।
মাটিতে বাগৰি উদ্ধৱে কান্দিছে
খৰম দুখানিকে লৈ।।

পদ ঃ আমাৰ দুই খানি খৰম লৈ যাহা
কৰা শোক পৰিহাৰ।

... ... ...

২৬. উল্লিখিত, পৃ. ১৯৩
২৭. ৰেণু মহন্ত, *নামৰ আৰ্হি*, পৃ. ১০৪

কৃষ্ণক স্মৰন্তে কান্দতে কান্দতে

ভৈলা দ্বাৰকাৰ বাজ।।০।।[২৮]

**থ) উৰেষা বৰ্ণন ঃ**

১। যাদৱা গোঁসাই আগে এটি কথা জনাওঁ

দুখানি চৰণত ধৰি।

ইন্দ্ৰদ্যুম্ন ৰাজাৰ দুহিতাই মনে স্বামী

বঢ়ি আছে ঘুনুচা বাৰী।।

২। অ' হৰি এহে ইন্দ্ৰদ্যুম্ন ৰায়।

জগন্নাথ থাপি থৈছে ধৰ্ম্মপথ চাই।।[২৯]

**দ) ঘুনুচা কীৰ্তন ঃ**

দিহা ঃ

১। দৌলৰ ওপৰে মন্দিৰ ভিতৰে

গোঁসায়ে ফাকু খেলায়।

এইহেন অৰণ্যত পক্ষীত নচৰে

অকলে থকা গোঁসাই।।

২। দৌলৰ গোবিন্দে পৰম আনন্দে

ৰত্ন সিংহাসনে আছে।

আপোন ৰূপক দেখাই ভগৱন্তে

মধুৰি মধুৰি হাসে।।[৩০]

**(ধ) ৰুক্মিণীৰ প্ৰেম কলহ ঃ**

দিহা ঃ

১। কুণ্ডিল নগৰী ৰুক্মিণী সুন্দৰী

কৃষ্ণলৈ গাঠিছে মালা।

---

২৮. উল্লিখিত, পৃ. ১১১
২৯. উল্লিখিত, পৃ. ১১৭
৩০. উল্লিখিত, পৃ. ১১৯

সেই মালাধাৰি কৃষ্ণে পিন্ধিবলৈ

নাহিলে দ্বাৰকাৰ পৰা।।

২। ৰুক্মবীৰে বোলে ভন্টি ঐ কৃষ্ণৰ আশা এৰা।

যাদৱলৈ নিদিওঁ বিয়া ঐ গোৱালৰে ল'ৰা।।[৩১]

## ৪.০৩.২ টোকাৰী গীত ঃ

অসমৰ লোকসংগীতৰ এক গুৰুত্বপূৰ্ণ বিভাগ টোকাৰী গীত। আঙুলিৰ মূৰেৰে আঘাত কৰি গুণা বা তাঁৰ লগোৱা অসমৰ থলুৱা বাদ্যযন্ত্ৰ 'টোকাৰী' সঙ্গত কৰি টোকাৰী গীত সমূহ গোৱা হয়। আঙুলিৰে টোকৰ দি বাদ্যৰ শব্দৰ সৃষ্টিৰে সুৰসঙ্গত কৰি ভকতীয়া অৰ্থাৎ পৰমাৰ্থিক ভাবাপন্ন লোকগীত সমূহ গোৱা হয় বাবেই গীতসমূহৰ নাম টোকাৰী গীত হ'ল বুলি অনুমান কৰা হয়। টোকাৰী গীতত ৰূপকৰ সহায়ত আধ্যাত্মিক তত্ত্ব দাঙি ধৰা হয়। গীতসমূহত ঘাইকৈ দুলড়ী, লেছাৰি, ছবি, ঝুমুৰী ছন্দৰ প্ৰয়োগ কৰা হয়।

শঙ্কৰদেৱে একশৰণ হৰিনাম ধৰ্মৰ প্ৰসাৰৰ বাবে শ্ৰৱণ-কীৰ্তনক গুৰুত্ব দিয়াৰ বাবেই লোকসমাজত আধ্যাত্মিক তত্ত্ব সম্বলিত বিশিষ্ট লোকগীতসমূহৰ সৃষ্টি হৈছিল। গতিকে সৰ্বসাধাৰণে শঙ্কৰদেৱৰ প্ৰতি শ্ৰদ্ধা জনাই কীৰ্তন, দশম, ভাগৱতৰ তত্ত্বৰে সকলোকে মুগ্ধ কৰাৰ কথাৰে, খোল-তাল-নেগেৰা বাদ্যযন্ত্ৰবোৰৰ প্ৰচলনেৰে সমাজত নাম-ৰস দিয়াৰ বিবিধ সমলৰে টোকাৰী গীত সমূহ ৰচনা কৰিবলৈ ল'লে। বৈষ্ণৱ ধৰ্মৰ গীত-মাতৰ আৰ্হিত ক্ৰমান্বয়ে অসমীয়া সমাজত বিবিধ লোকগীতৰ সৃষ্টি হৈছিল। শ্ৰীকৃষ্ণৰ বিবিধ লীলাৰ ভিত্তিতো কীৰ্তন-ঘোষাৰ আলমত ৰচিত বিভিন্ন টোকাৰী গীত পোৱা যায়। কীৰ্তন-ঘোষাৰ প্ৰভাৱ সততে দেখা পোৱা টোকাৰী গীত সমূহৰ ভিতৰত উল্লেখযোগ্য গীতসমূহ উল্লেখ কৰা হ'ল—

**১) শিশুলীলা ঃ** ক) যশোৱা জননী কিনু নিদাৰুণী ও

কৃষ্ণৰ হাতত বান্ধে

কোমল হাতত দুখ পায়া হৰি

মাৰৰ মুখ চাই কান্দে।

কি ও বসুদেৱৰ ঘৰে মই জনমলভিলু

৩১. উল্লিখিত, পৃ. ১২৪

আই বুলি মাতিলু তোক
তই কাঠ বাঁজী কৈতে পুত্র পালি
কেটেৰাই মাতিলি মোক।[৩২]

খ) সোণৰ বাঁহী নেলাগে ৰূপৰ বাঁহী নেলাগে।
মোহন বাঁহী নেলাগে মোক।
বান্দৰে খায়ন্ত দধি আমাক কৰাহ বন্দী
সঁচা মিছা নকৰা বিচাৰ।
পৰৰ পুত্ৰৰ ব্যথা পৰৰ মাৱে বুজে কিবা
হেন চিত্ত বুজিলো তোমাৰ
গোৱালীৰ শিশু গণে দধি খায়মনে মনে
কিল পৰে কৃষ্ণৰ পিঠিত।
বেঢ়ি মাৰে গোপী গণে তুমি থাকা মনে মনে
এনে তোমাৰ নিদাৰুণ চিত।। ইত্যাদি [৩৩]

গ) হে মাই যশোৱা হে, মাই হেৰ যশোৱা
আমাক লাগিয়া, অলপ তোৰ মৰম নাই
হে মাই যশোৱা হে
তোৰ ঘৰে আমি গৰু চাৰি ফুৰু
কৰে কৰা ভাত খাই মাই যশোৱা হে ইত্যাদি [৩৪]

ঘ) কিয়নো উপজিলা কৃষ্ণ হে .........
ওহে কৃষ্ণ হে ............
শুনিলে কংস মৰে .........
হায় মোৰ হৰি হৰি লুকাই ৰাখিম কাৰ ঘৰে।।
কৃষ্ণদেৱ দৈৱকী দেৱীত জন্মিলন্ত।
বসুদেৱ দৈৱকীয়ে বিস্ময়ে কহন্ত।। ইত্যাদি [৩৫]

---

৩২. লোকনাথ গোস্বামী, *অসমীয়া লোকগীত সম্ভাৰ*, পৃ. ২০৩
৩৩. উল্লিখিত, পৃ. ১৬
৩৪. উল্লিখিত, পৃ. ১৭
৩৫. উল্লিখিত, পৃ. ৩৩

ঙ)   ৰুনু জুনু ৰুনু জুনু ঘুঙোৰা বজাই আঁঠু কাঢ়ি ৰিঙ্গা পাৰি
ফুৰে যদুৰাই যশোদা আইৰে আন্ধাৰ ৰাতি পোহৰাই।।
কি পূণ্য সাধি নন্দৰাজা নন্দ ৰাণী
তোমাক পুত্ৰ লভিলা পুত্ৰ অ'হে চক্ৰপানি।। ইত্যাদি [৩৬]

চ)   ও কি নন্দৰাণী
আমি আৰ বন্ধন জালা ........
সহিতে নাপাৰো ও ..........
পঞ্চ বছৰে ধেনু
        চাৰিলো তোমাৰে।
বিনা অপৰাধে মাই
        বান্ধিলাহা মোৰে।।
নাখাওঁ তোমাৰ দৈ দুগ্ধ
        নাচাৰিবু ধেনু।
বাটে বাটে বাই ফুৰিম
        সুললিত বেণু।। ইত্যাদি

ছ)   ও মাই কি দোষ কৰিলো তোৰ।
বিনা অপৰাধে আমাক বান্ধিলি
        বুলিয়া লৱণু চোৰ।।
বসুদেৱৰ ঘৰে        জনম লভিলু
        আই বুলি মাতিলো তোক।
তঞি কাঠবাঁজী        কৈত পুত্ৰ পালি
        এত বিকৰ্থনা মোক।। ইত্যাদি [৩৭]

জ)   যাদু কি কাম কৰিলি
ক্ষীৰ লবণু এৰি কিয় মাটি খাইলি।।
ভাতৰ দুখুলা বাচা ও ভাতৰ দুখুলা

৩৬. উল্লিখিত, পৃ. ২৬
৩৭. উল্লিখিত, পৃ. ১৩৪

কেঁচা মাটি খাই যাদুই ভোক নিবাৰিলা।।
বৰ চাতুৰালি যাদুও বৰ চতুৰালি
খেলা মাটি খাই যাদুই ভোক নিবাৰিলি।
কি বস্তুৰ দুখীয়া বাচাও কিবা ঘৰে নাই
তিনিও জগতৰ লোকে তোৰ ঘৰে নাই।।[৩৮]

ঝ) নাবান্ধা মাই এ গাখীৰ খোৰা নাই
বিনা দোষে বান্ধি মাৰা পৰৰ পুত্ৰ পাই।
এহি বুলি কান্দিলন্ত প্ৰভু যদুমণি।
তথাপি যশোৱাই বান্ধে টানি টানি।।
নুজুৰিলা পাছে আঙুল দুই জৰী।
আৰু জৰী আনি বান্ধে যশোৱা সুন্দৰী।।
মাৰৰ শ্ৰম দেখি মনে মনে গুণী।
কৃপাময় কৃষ্ণে বান্ধ লৈলেক আপুনি।। ইত্যাদি[৩৯]

ঞ) কংস কাৰাগাৰে মথুৰা নগৰে
জনম লভিলা তুমি দৈৱকীৰ উদৰে।।
মধ্য ৰাতি আতি অন্ধকাৰ ভৈলা
সেহি সময়ত উপজিলা নাৰায়ণ।। ইত্যাদি[৪০]

২) **কালিয়দমন ঃ** *ক)* দাদা বলাই ও দাদা বলাই ও
জনম লভিলু অকাৰণ।
কংস মাৰি নিলা মোৰ ভাই ছয়জন।।
পিতা মোৰ বসুদেৱ দৈৱকী জননী।
কিবা দোষে হৈলা মোক গোকুলত আনি।।
কংস মমাই মাৰি নিলা ভাই ছয় গুটি।
তাহাৰ শোকতে মোৰ প্ৰাণ যায় ফুটি

৩৮. উল্লিখিত, পৃ. ৫২
৩৯ উল্লিখিত, পৃ. ১১৩
৪০. উল্লিখিত, পৃ. ১০৬

পুতুনা ৰাক্ষসী আসি দিলা বিষস্তন।
তাক খাই নমৰিলো অভাগা পৰাণ।।
কালী সৰ্পে দংশিলেক মৰ্মস্থল চাই।
বিষ লাগি নমৰিলো ৰাখিলা গোঁসাই।[৪১]

খ) মৈৰাৰ গমনে কানাই যায় ওৰে যায় ৰে যায়
যশোদাৰ কোলে ছৱাল যদুৰায়।।
নন্দৰ ঘৰে জনম লৈলা ছাঁৱাল কানাই।
যোল্লশত শিশু সংগে বনে চাৰে গাই।
পিয়াহে পীড়িত হৈয়ো শিশু একজন।
কালীৰ হ্রদত গৈয়া জল কৰে পান।
কালীৰ জলে পৰি ৰৈলা দেৱ বনমালী।
নন্দ-যশোদা কান্দে ৰৈয়া উত্ৰাৱলী।।
তুমি ব্ৰহ্মা তুমি বিষ্ণু তুমি মহেশ্বৰ।
আপোনাক ভুলি তুমি হৈ আছে। কাতৰ।[৪২]

গ) গোপাল ৰহিলৰে কালীৰ জলে, কান্দে গোপগোপীসৰে
কালীৰ হ্রদৰ তীৰে গোপাল ৰহিলৰে।
যশোদা জননী বালিত বাগৰি হিয়া ঢাকুৰি কান্দে কৃষ্ণক
হামোৰ কৃষ্ণ বনমালী সুন্দৰ কৈক গৈলা বাছা নন্দেৰ নন্দন সুঁৱৰি। ইত্যাদি[৪৩]

৩) **প্ৰহ্লাদ চৰিত্ৰ ঃ** ক) নাজানো প্ৰভু মোৰ কি দিয়া পূজিম মই ও
এই মায়া সংসাৰে নাই কোন মোৰ।
হিৰণ্য কশিপু মোৰ পিতৃ ভৈলা বৈৰী।
তোৰ নাম শুনি মুখে মাৰে মোক ধৰি
কৈত আছা প্ৰভু মোৰ নিয়া পাৰ কৰি।। ইত্যাদি [৪৪]

---

৪১. উল্লিখিত, পৃ. ১৪
৪২. উল্লিখিত, পৃ. ৪২
৪৩. উল্লিখিত, পৃ. ১১০
৪৪. উল্লিখিত, পৃ. ৬২

৪) **ৰাসক্ৰীড়া ঃ** ক) প্ৰভু মদন মোহন বজাইছে মধুৰ বাঁহী
যাইবো বৃন্দাবন প্ৰভু.....
বাঁহী মোৰে বাঁহী মোৰে বাঁহী মোৰে প্ৰাণ
বাঁহীৰ নিমিত্তে আমাৰ নৰহে পৰাণ।। ইত্যাদি [৪৫]

খ) *শ্যাম ক'লীয়া হে ..........*
*এহে বাঁহী হৰাল কেন কৰি .........*
*ও যমুনাক যাৱন্তে ৰসমালা গাথন্তে*
*ৰাধে নিলা কলসীত ভৰি।*
*কৃষ্ণৰ সমীপে আসি গোপিনীৰ দল*
*ৰাধিকাৰ য'ত কথা কহে অবিৰল।। ইত্যাদি* [৪৬]

গ) অ' শ্যাম কলীয়া অ' আজিনো পলাবি ক'ত
যমুনাৰ বালিতে ৰাসলীলা কৰোতে
মেৰাই মেৰাই বান্ধিম তোক।।
বৃন্দাবনৰ মাজে কানু গো ধেনু চৰাই
বংশী ৰাৰে গোপী গণৰ মন ভুলাই।। ইত্যাদি [৪৭]

ঘ) কৰ্ণত কুণ্ডল তোমাৰ মাথাই মৈৰাৰ পাখি
গলে বনমালা তোমাৰ আধাফুটা হাঁসি।।
শ্যাম বৰণ দেহা তোমাৰ পীত বসন
চৰণে নুপূৰ তোমাৰ কমল লোচন।।
কণ্ঠত কৌস্তুভ তোমাৰ সূৰ্য হেন দেখি
আজানু লম্বিত তোমাৰ বিজলিয়া কেশি।। ইত্যাদি [৪৮]

ঙ) গোপীসৰে গোপী সমে হৰি গুণ গাই
হৰিৰ বিনে সংসাৰত আন বন্ধু নাই।।

---

৪৫. উল্লিখিত, পৃ. ৬৩
৪৬. উল্লিখিত পৃ. ৩৬
৪৭. উল্লিখিত পৃ. ২৬
৪৮. উল্লিখিত পৃ. ১৮

কৃষ্ণ পৰম বন্ধু সুহৃদ আমাৰ
কৃষ্ণ বিনে সংসাৰৰ সাৰ নাহি আৰ।। ইত্যাদি [৪৯]

চ) কৃষ্ণ বা ক'লৈ গ'ল বেলি গধূলি হ'ল বৃন্দাবন মৰহি গ'ল।
হা কৃষ্ণ বুলি যোল্লশ গোপিনী মাটিতে বাগৰি ৰ'ল।।
দুখ হৰিবাক ভৈলা অৱতাৰ আমাৰ লোৰা কিয় বধ
হৃদয়ত অগনি বাঢ়ে প্ৰাণ প্ৰভু তুমিয়ে জানা ঔষধি। ইত্যাদি [৫০]

ছ) *যাদৰ নাযাবা আমাক এৰি*
*গোপিনীৰ লগতে ওলাইছে হৰি।*
*পুখুৰীৰ পাৰে পাৰে যাদৰ নাযাবা*
*খাগৰিৰ বেৰা যাদৰ নাযাবা*
*দলি মাৰি কেলে দিলা ফটিকৰে মালা। ইত্যাদি* [৫১]

৫) **কংসবধ ঃ** এ হৰি নাৰায়ণ দূৰ কৰা মায়াৰে বন্ধন
মায়াই মজিয়া হৰি, বোৰাইলি জীৱন
কংসহে ........ তোমাক বধিব নাৰায়ণে।
দৈৱকী নন্দন হৰি এ এহে নাৰায়ণে।
সাৱধান সাৱধান কংস মূঢ়মতি।
বুজিব নপাবা তই কালৰ শকতি।
এহি যোগমায়া জানা নহ'ব বিনাশ।
অতি মূঢ়মতি তোৰ হৈব সৰ্বনাশ।।
যিজনে তোমাক বধে শুনা কংসৰাজ।।[৫২]

৬) **গোপী উদ্ধৱ সংবাদ ঃ** উদ্ধৱ সখী সমিধান দিয়া
কোনদিনা আহিব আমাৰ
প্ৰাণৰে কলীয়া
অ' আহু বুলি বান্ধৱ কৃষ্ণই

৪৯. উল্লিখিত পৃ. ১০৮
৫০. উল্লিখিত পৃ. ১০৭
৫১. উল্লিখিত পৃ. ৬৫
৫২. উল্লিখিত, পৃ. ৮৫

নাহিলা ফিৰীয়া

উদ্ধৱ

আৰ উদ্ধৱ আহিল দেখো

বান্ধৱ নাহিলা সখী বিৰহতে দহে আমাৰ হিয়া

অ' কান্দি কান্দি গোপী সৱে বাতৰি পুছিলা

উদ্ধৱ ........ ইত্যাদি।।[৫৩]

৭) **দামোদৰ বিপ্ৰাখ্যান ঃ**

ক) চিৰা খুন্দি দিয়া অ'হে বামুণী

যাওঁ দ্বাৰকা নগৰে,

শৈশৱ কালৰ বান্ধৱ কৃষ্ণই

কি জানিবা দয়া কৰে।

শৈশৱ কালত গুৰুৰ গৃহত

দুয়ো একে সখা হইলো,

কিনো পূণ্য ফলে আমি দামোদৰে

কৃষ্ণ হেন সখা পাইলো। ইত্যাদি [৫৪]

৮) **দৈৱকীৰ পুত্ৰ আনয়ন ঃ**

ক) কৃষ্ণ উপজিলা কেৰে নাজানিলা ও

ধুৱাব নাপালু পানী

কোলাতে নললু আনি।।

কিও মোৰ বাচা প্ৰাণ ধন তই

কলিয়া সুন্দৰ।

তোক লাগি অভাগিনীৰ

দহিছে অন্তৰ।।

কংস ভাই মাৰি নিলা।

পুত্ৰ ছয় গুটি।

৫৩. উল্লিখিত, পৃ. ৫৬

৫৪. উল্লিখিত, পৃ. ১২৮

তাহাৰ শোকতে মোৰ

প্ৰাণ যাই ফুটি।

দশমাসে দশ দিনে সহি মহাভাৰ

কাৰাগাৰৰ অন্ধকূপে ভূঞ্জিলো বিকাৰ।।[৫৫]

খ) ও কান্দে দৈৱকী এ ও কান্দে কংস কাৰাগাৰে

কিনো মই অভাগীয়া জন্মিলো সংসাৰে।

পদঃ মোৰ সম পাপী মতি সংসাৰতে নাই

কান্দে দৈৱকী এ

নাৰীৰ অংশত জন্মলৈ এনুৱা বিলাই

ছয়পুত্ৰ ভৈলা মোৰ ছয়টি চিকা

কান্দে দৈৱকী এ

ছয়পুত্ৰ মাৰি নিলা কংস দুৰাচাৰ

নকৰিবা দুখ মাৰ নকৰিবা শোক

কান্দে দৈৱকী এ

সকলো পুত্ৰক মই কৰিব উদ্ধাৰ।[৫৬]

৯) **শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ ঃ**

ক) কান্দিছে উদ্ধৱ মোৰ প্ৰাণৰ বান্ধৱ কৈক গৈলা মোক এৰি।

জগতৰ বাপ দিলা হৃদি তাপ কৈকগৈলা প্ৰাণ হৰি।।

য'ত তৰু লতা সৰেও কান্দিলে কৃষ্ণৰ গুণবৰ্ণাই

অশ্বত্থৰ তলতে আউজি আছিলা অকলে কৃষ্ণ গোঁসাই।। ইত্যাদি [৫৭]

১০) **ঘুনুচা কীৰ্তন ঃ**

ক) ফাগুনে খেলিয়া ফাকু

ঘুনুচাক যায় হৰি

গোপ-গোপী সৰে আহি

আনন্দে ধৰিছে ঘেৰি।

৫৫. উল্লিখিত, পৃ. ৬৪
৫৬. উল্লিখিত, পৃ. ৭৬
৫৭. উল্লিখিত, পৃ. ১০২

বাটে বাটে গোপীগণে
ধূপে-দীপে পূজা কৰে
ৰঙৰে ফিচকাৰী মাৰে
গোপ-গোপী একেলগে ইত্যাদি [৫৮]

খ) দৌলচাৰি যাই প্ৰভু অ' প্ৰভু ঘুনুচা নগৰী
সঙ্গে লৈয়া পৰিজন মহা ৰঙ্গ কৰি।।
শকত ভিতৰে ৰৈলা প্ৰভু নাৰায়ণ
ধূপ-দীপ আদি দিয়া পূজে কতজন।।
ফাকুগুৰি দেই কেহো মাৰে ফিচকাৰী
নৃত্য-গীত বাদ্য ভান্দ কৰে বিদ্যাধৰী।। ইত্যাদি [৫৯]

**১১) ৰুক্মিণীৰ প্ৰেমকলহ ঃ**

ক) কুণ্ডিলতে ৰুক্মিণীয়ে কৰে জোৰ হাত
কেনমতে যাইবা বাপু ছয় মাহৰ বাট
ইও বোলে সিও আমাৰ বাপুঋষি
গলে আছে গজ মজুমদাৰ হেন দেখি।
চাকা উঠিল ৰাঙা পৰি পেটে লাগিল ভোক।
বাৰে বাৰে চাৰে বাপু লগৰীয়াৰ মুখ।।
এনে হেন বিয়াৰ দিনত কৃষ্ণৰ লাগিল পেচ
তৌৰা কদম তলে বাই বাই কেচ্ বেচ্ বেচ্। [৬০]

খ) শিশুপাল নাপাতা জঞ্জাল ৰুক্মিণী হৰিবা লাগি আহিছে গোপাল।
বেদ নিধি বোলে কন্যা নাকান্দিবা তুমি।
তোমাক হৰিব কৃষ্ণে আহিবা আপুনি।
মোৰ ভাই ৰুক্মবীৰ কুলৰ চণ্ডাল
মোক বিয়া দিব খোজে ৰাজা শিশুপাল।।

৫৮. উল্লিখিত, পৃ. ৮৯
৫৯. উল্লিখিত, পৃ. ১১৭
৬০. উল্লিখিত, পৃ. ১১২

পিতা মোৰ ভীষ্মক ৰাজে পাতে স্বয়ম্বৰ

শীঘ্ৰে আহা প্ৰাণনাথ নকৰা পলম।। ইত্যাদি [৬১]

**৪.০৩.৩ বিহুগীত ঃ**

বিহু অসমীয়াৰ জাতীয় উৎসৱ। এই উৎসৱৰ লগত জড়িত বিহুগীত সমূহতো কিছু পৰিমাণে কীৰ্তন-ঘোষাৰ ধৰ্মীয় প্ৰভাৱ পৰিলক্ষিত হয়। সীমিত সংখ্যক বিহুগীতত এনে ধৰ্মীয় প্ৰাধান্য দেখা যায়। সেইসমূহ উল্লেখ কৰা হ'ল ঃ

ক) **নামৰ প্ৰাধান্য আৰোপ কৰা বিহুগীত ঃ**

ব্ৰহ্মাই সৰজা নামৰে কঠিয়া

বিষ্ণুৱে সৰজা নাম ;

বেয়া নাম ওলালে সৰ্বদোষ খেমিবা

বিহুৰ গীতকে গাম। [৬২]

খ) ছাগ কিনি আনি দি যাওঁ বলি কাটি

চৰাওঁ মহেশ্বৰক ভোগ,

নাম-গুৰু ভকতক শিৰত তুলিলৈ

গছত মাৰিলোঁ কোব।[৬৩]

(এই গীতটি ঢুলীয়া ওজাই ঢোলৰ জন্ম কথা প্ৰসংগত গায়)

গ) নামৰে আছিলো ঘাই সমনীয়া

পদৰো আছিলো ঘাই।

নামো পাহৰিলো পদো পাহৰিলো

বহাগৰ বিহুটি পাই।।[৬৪]

ঘ) লাহে লাহে ঐ

বিহু কোন ঢালে আহে

নাচনীকৈ আগত লৈ তেলৰ চাকি হাতত লৈ

বিহু মাৰিবলৈ যাওঁ ঐ

---

৬১. উল্লিখিত, পৃ. ১২১

৬২. লীলা গগৈ ঃ *বিহুগীত আৰু বনঘোষা, পাতনি*

৬৩. উল্লিখিত, পৃ. ৫৬

৬৪. কিৰণ গগৈ ঃ *হুঁচৰি, বিহু আৰু বনগীত*, পৃ. ১১

বিহু কোনঢালে আহে।।

নামতো আছিলো পদো গাইছিলো

লগৰ সমনীয়া পাই ঐ

বিহু কোনঢালে আহে।।[৬৫]

ঙ) গুৰুকো সুধিবা ভকতক সুধিবা

সাধিবা ধৰমৰ কাম।

গৰু বিহুৰ দিনা পুণ্য দান কৰিবা

তেহে পাবা বৈকুণ্ঠ ধাম।[৬৬]

চ) হুঁচৰি আহিলে বিহু খেল পাতিলে

বেহালে ধৰমৰ হাট।

এনুৱা হাটতে ধৰমক বেহাবা

সৰগৰ চিনিবা বাট।।

ছ) গধূলি আহে নৰ সাক্ষাতে দামোদৰ

চোতালত পদৰে ধূলা।

ওলাই সমিধানে দিয়াহি গৃহস্থ

মুখে হৰি নাম বোলা।।[৬৭]

জ) জহাকৈ ধানৰে মৰণা মাৰিলো

ওখোনিয়াই আহিলো ধান।

গুৰুকো সুধিবা ভকতক সুধিবা

ৰাইজৰ ৰাখিবা মান।।[৬৮]

ঝ) এইনো নামঘৰ কোনে সজাই গ'ল

কৰতে কাটিলে ৰুৱা।

মোৰে দেহাজান দিবানে সমিধান

তাহানি কথাটি কোৱা।।[৬৯]

---

৬৫. উল্লিখিত, পৃ. ৪৮
৬৬. উল্লিখিত, পৃ. ৬৭
৬৭. উল্লিখিত, পৃ. ৬৮
৬৮. উল্লিখিত, পৃ. ৬৯
৬৯. উল্লিখিত, পৃ. ২৯৮

ঞ)　　গা ধুই ভকতে　　　গুৰু সেৱা কৰে
　　　　　ঘাটেয়ে সেৰিলে নাও।
　　　মই সেৱা কৰো　　　প্ৰেমময় ঈশ্বৰক
　　　　　তোক যেন অকলে পাওঁ।।[৭০]

ট)　　কৃষ্ণাইৰ মূৰতে বকুলফল এপাহি
　　　নিয়ৰ পাই মুকলি হ'ল ঐ গোবিন্দাই ৰাম।

**৪.০৩.৪ বিয়ানাম ঃ** বিয়ানাম সমূহ লোকগীতৰ উল্লেখযোগ্য অংগ। বিয়াৰ ক্ষেত্ৰত বহুকেইবিধ আচাৰ-অনুষ্ঠান লক্ষ্য কৰা যায় — জোৰণ দিয়া, পানী তোলা, দৰা বা কইনাক গা ধুওৱা নিয়ম, সুৱাগ তোলা, কইনাৰ ঘৰত দৰা আদৰা নিয়ম, দৰাৰ ঘৰত দৰা-কইনা আদৰা নিয়ম, আঠমঙলাৰ নিয়ম। উক্ত অনুষ্ঠান সমূহত অনুষ্ঠানভেদে বিয়ানাম গোৱাটো অত্যাৱশ্যকীয় কাম। এই বিয়ানামসমূহত কীৰ্তন-ঘোষা তথা নৱবৈষ্ণৱ ধৰ্মৰ কিছু প্ৰভাৱ লক্ষ্য কৰা যায়।

**ক) দুণৰি সঁজোৱা নাম ঃ**

১) জাত ঃ　　সজোৱা দুণৰি ঘট মঙল কৰিয়া।
　　　　　জ্বলোৱা সহস্ৰ বন্তি ঘৃত, তেল দিয়া।।

পদ ঃ　　প্ৰথমে প্ৰণামো ব্ৰহ্ম ৰূপী সনাতন।
　　　　সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ।।
　　　　তযু নাভি কমলত ব্ৰহ্মা ভৈল জাত।
　　　　যুগে যুগে অৱতাৰ ধৰা অসংখ্যাত।।
　　　　মৎস্য ৰূপে অৱতাৰ ভৈলা প্ৰথমত।
　　　　উদ্ধাৰিলা চাৰিবেদ প্ৰলয় জলত।।
　　　　সত্যব্ৰত ৰাজাক দেখাইলা নিজ মায়।
　　　　নধৰিলে সমুদ্ৰে তোমাৰ মৎস কায়া।।

২) জাত ঃ　　দবা শংখ বজোৱা, দুণৰিটো সজোৱা।
　　　　　পানী তুলিবলৈ দৈৱকীক জগোৱা।।

৭০. উল্লিখিত, পৃ. ৪৪৪

পদ ঃ শ্ৰীমন্ত শংকৰে - দবা শংখ বজোৰা।
ধৰ্ম প্ৰচাৰ কৰে - দবা শংখবজোৰা।।
দুণৰিটো সজোৰা পানী তুলিবলৈ,
দৈৱকীক জগোৰা।।
জীৱক উদ্ধাৰিলে দবা শংখ বজোৰা।
পাপীক নিস্তাৰিলে দবা শংখ বজোৰা।।
ভক্তিৰে বোৱালে নদীহে দবা শংখ বজোৰা।।
দুণৰিটো সজোৰা পানী।
তুলিবলৈ দৈৱকীক জগোৰা।।[৭১]

খ) **অধিবাসৰ নাম ঃ**

জাত ঃ আজি আইদেউৰ অধিবাস
কাইলৈ আইদেউৰ বিয়া
গণকে গণিকা কৰে
আইদেউৰ কাম্পে হিয়া।

পদ ঃ জগতে সংহৰি শুতি আছা নাৰায়ণ।
প্ৰথম নিশ্বাসে বাজ ভৈল বেদগণ।।
জগাইল বিষ্ণুক স্তুতি কৰি ভক্তিভাৱে।
যেন নট-ভাটে চক্ৰৱতিক জগাৱে।।
জয়জয় হৌক হৰি আনন্দ প্ৰকাশ।
সমস্ত জীৱৰ কৰা মায়াক বিনাশ।।
জীৱ অংশে তুমি প্ৰৱেশিলা গাৱে গাৱে।
আবে আমি তোমাক ভজোহো সৰ্বভাৱে।।
তুমিসি সবাকে দিয়া চৈতন্য শকতি।
আমি বেদগণ আত প্ৰমাণ সম্প্ৰতি।[৭২]

৭১. দিপ্তী মহন্ত, *উৰুলি*, পৃ. ১১
৭২. উল্লিখিত, পৃ. ৯

গ) **সুৰাগ তোলা নাম ঃ**

জাত ঃ সুৰাগ তোলা, সুৰাগ তোলা
কাষত কুলা লৈ
দল বান্ধি আখৈ লাৰু
দিব আনন্দ কৈ।

পদ ঃ কৃষ্ণৰূপে দৈৱকীত ভৈলা অৱতাৰ
শংখ চক্ৰ গদা পদ্ম কৰত তোমাৰ
পীতবস্ত্ৰে শোভে অতি শ্যাম কলেৱৰ
কমললোচন চাৰু অৰুণ অধৰ।।
সুন্দৰ নাসিকা কৰ্ণে মকৰ কুণ্ডল
কণ্ঠত কৌস্তুভ শিৰে কীৰিটি উজ্জ্বল।
আপাদ লম্বিত বনমালা জ্বলে গ'লে
শোভে আতি শ্ৰীবৎস বহল বক্ষস্থলে।। [৭৩]

ঘ) **কন্যাঘৰৰ কলৰ তলত গোৱা নাম ঃ**

জাত ঃ বসুদেৱে বজাই বাঁহী কলৰ তলত ৰৈ।
দৈৱকীয়ে স্তুতি কৰে হাতত মালা লৈ।।

পদ ঃ উগ্ৰসেনৰ ঘৰে আজি কৰে কন্যা দান।
ধৰ্ম্মৰে বান্ধিছে দৌল পৰ্ব্বত সমান।।
আহিছে অতিথি সকল বৰযাত্ৰী হৈ।
কলৰ তলত আদৰিছে খোলে তালে লৈ।
পুত্ৰ হ'লে পৰৰ কন্যাক আনিবাক যায়।
কন্যা হ'লে বিদায় দিয়ে যোগ্য বৰ চায়।। [৭৪]

ঙ) **কন্যাক বিদায় জনোৱা সময়ত গোৱা আধুনিক কালৰ বিয়া নাম ঃ**

জাত ঃ শাহু আইৰ দুটি চুমা দুগালত লৈ
সোমাবাগৈ নতুন ঘৰত ন-বোৱাৰী হৈ।

---

৭৩. উল্লিখিত, পৃ. ৫২
৭৪. উল্লিখিত, পৃ. ৫৩

পদ ঃ কৃষ্ণৰূপে দৈৱকীত ভৈলা অৱতাৰ
শঙ্খ চক্ৰ গদা পদ্ম কৰত তোমাৰ।
পীত বস্ত্ৰে শোভে আতি
শ্যাম কলেৱৰ।
কমল লোচন চাৰু, অৰুণ অধৰ।
সুন্দৰ নাসিকা কৰ্ণে মকৰ কুণ্ডল।।
কণ্ঠত কৌস্তুভ শিৰে কীৰিটি উজ্জ্বল।
চাৰু চাৰি ভোজ জ্বলে আজানুলম্বিত।।
কৰি কৰ সম উৰু বৰ্ত্তুল বলিত।[৭৫]

**৪.০৩.৫ জিকিৰ-জাৰী ঃ**

খৃষ্টীয় সপ্তদশ শতিকাৰ আগভাগত অসমলৈ পশ্চিমৰ পৰা কিছুসংখ্যক ইছলাম ধৰ্মীয় লোক আহিছিল। তেওঁলোকৰ ভিতৰত হজৰত চাহ মীৰান অথবা আজান ফকীৰ এগৰাকী বিশিষ্ট ইছলাম ধৰ্মীয় গুৰু আছিল। আজান ফকীৰে ইছলাম ধৰ্মৰ ধ্যান-ধাৰণা আৰু মৌলিক আদৰ্শক অৱলম্বন কৰি বহুসংখ্যক গীত ৰচনা কৰিছিল। আজান ফকীৰে থলুৱা অসমীয়া ভাষা আয়ত্ত কৰি সেই ভাষাতেই গীত ৰচনা কৰিবলৈ আৰম্ভ কৰিছিল। শংকৰী আদৰ্শৰ সম-সাময়িক লোকগীত ধৰ্মীয় গীত, দেহ বিচাৰৰ গীত, বৰাগী গীত আদিৰ আৰ্হিত মুছলিম সমাজৰ উদ্দেশ্যে তেওঁ শুদ্ধ অসমীয়া ভাষাত সকলোৱে গাব আৰু বুজিব পৰাকৈ জিকিৰ নামৰ গীত ৰচনা কৰিবলৈ লয়। নৱ-বৈষ্ণৱ ধৰ্মৰ জনপ্ৰিয়তাৰ প্ৰতি লক্ষ্যৰাখি শংকৰদেৱে ৰচনা কৰা নামপ্ৰসঙ্গমূলক ৰচনাৰ দৰেই আজান ফকীৰে জিকিৰ গীত ৰচনা কৰে। জিকিৰ গীত গোৱা প্ৰথা দিহা নাম, থিয় নাম, হুঁচৰি গীত আদি গাঁওতে কৰা ভক্তিময় নৃত্যৰ দৰেই নাচি নাচি হাত চাপৰি বজোৱা হয়। শ্ৰীমন্ত শঙ্কৰদেৱ প্ৰচাৰিত নৱবৈষ্ণৱ ধৰ্মৰ নামঘৰত হৰিনাম শ্ৰৱণ-কীৰ্তনৰ পৰম্পৰাৰ দৰেই আজান ফকীৰে শৰাগুৰি চাপৰিত ভকতসকলৰ লগত জিকিৰ ৰচনা কৰি গাই বিশিষ্ট ধৰ্মীয় পৰম্পৰাৰ সৃষ্টি কৰিছিল। জিকিৰসমূহৰ মাজত নৱবৈষ্ণৱ ধৰ্মৰ কীৰ্তনীয়া সুৰৰ তথা অনুভৱৰ প্ৰভাৱ নিশ্চিতভাৱে পৰিছিল। আজান ফকিৰে প্ৰায় আঠকুৰি জিকিৰ ৰচনা কৰিছিল। ইছলাম ধৰ্মীয় প্ৰথা মতে জিকিৰ কৰাৰ যি ব্যৱস্থা আৰু ৰীতি আছে অসমীয়া মুছলিমৰ জিকিৰ গোৱা পদ্ধতি বহু পৰিমাণে পৃথক। অসমীয়া মুছলমান সকলে হিন্দুসকলৰ নাম কীৰ্তন কৰাৰ দৰেই জিকিৰ গায়।

৭৫. উল্লিখিত, পৃ. ৬৮

ধৰ্ম বিশেষৰ মৌলিক ধ্যান-ধাৰণা বিশিষ্ট এনে গীতসমূহৰ সাৰ্বজনীন আবেদনৰ বাবে ভিন্ন ধৰ্মাৱলম্বী মানুহো পৰস্পৰে পৰস্পৰৰ প্ৰতি আকৰ্ষিত হৈছিল। কীৰ্তন-ঘোষাৰ পৰিৱেশন ৰীতিত থলুৱা সুৰ আৰোপ কৰাৰ দৰেই ইছলামধৰ্মীয় জিকিৰগীতসমূহত থলুৱা সুৰৰ সংযোজন স্বাভাৱিকভাৱেই হৈছিল। এই গীতসমূহো অলিখিত ভাৱেই শ-শ বছৰ সৰ্বসাধাৰণৰ মাজত জনপ্ৰিয় ৰূপত প্ৰচলিত আছে। অসমৰ থলুৱা জীৱন প্ৰবাহত কীৰ্তন-ঘোষাই আনি দিয়া অভিনৱত্বই ভিন্ন সংস্কৃতিৰ লোককো প্ৰৱলভাৱে আকৰ্ষিত কৰিছিল। মুছলিম দৰ্জী চান্দসায়ে শঙ্কৰদেৱৰ ওচৰত লোৱা দীক্ষাই ইছলাম ধৰ্মীয় সমাজতো শঙ্কৰীধৰ্ম তথা কীৰ্তন-ঘোষাই প্ৰতিষ্ঠা কৰা মহত্ত্বৰ কথা প্ৰতীয়মান কৰে। কীৰ্তন-ঘোষাই প্ৰতিষ্ঠা কৰা গুৰু আৰু ভকতৰ মাজৰ সুদৃঢ় সম্পৰ্কৰ গুৰুত্বৰ কথাও ইছলামীয় জিকিৰৰ মাজত ফুটি উঠা দেখা যায়।

পৰোক্ষভাৱে কীৰ্তন-ঘোষা প্ৰভাৱিত কিছুসংখ্যক জিকিৰৰ উদাহৰণ তুলি ধৰা হ’ল-

**ক) শ্ৰৱণ-কীৰ্তনক গুৰুত্ব আৰোপ কৰা জিকিৰ ঃ**

ক) ঘোষা— কেৱল নামে কেৱল নাম, কেৱল নামে ৰতি।
দিনে-ৰাতি লবা নকৰিবা খাটি।।
কেৱল নামে কেৱল নাম, কেৱল নামে সাৰ।
দুচকু মুদিলে বান্দাৰ দিনতে আন্ধাৰ।।
কিছু নাই, কিছু নাই, কিছু নাই সাৰ।
কেকোঁৰাৰ মাটি যেনে কুমাৰ ব্যৱহাৰ।।[৭৬]

খ) ঘোষা— নামেহে নামেহে সাৰ ঐ
বাবেহে এইবাৰ।
আল্লাৰ নামে লবা হজৰত ৰচুল
আলেইহে চালাম্।।
কলিমাহে বৰ ধন, লাগে মানে ভাৰ।
আওৱালে পয়দা হ’ল কলিমাহে আগ।।[৭৭]

গ) ঘোষা— নামে গঙ্গাজল ল’বলৈ কোমল
বৈ আছে হৃদয়ৰ মাজে।

৭৬. চৈয়দ আব্দুল মালিক (সম্পা.), *অসমীয়া জিকিৰ-জাৰী সাৰ*, পৃ. ৪০
৭৭. উল্লিখিত, পৃ. ৭৯

হাবিৰে পৰা নওঠা ওলালে

হাততে একন্ধা লৈ।

লোকে যে হালোৱাই হালো মেলিলে

জুবৈয়াই জুৰিছে মৈ।।

শঙ্কৰদেউ জীয়াৰী মাধৱদেউৰ বোৱাৰী

ৰহেপুৰ নগৰত ঘৰ।

ৰহেপুৰ নগৰৰ ৰসক নমাই আনি

দিয়া সকলোকে বাটি।।[৭৮]

ঘ) ঘোষা— আল্লা দীনৰ দয়াল,

আল্লা দানী দয়া তোমাৰে।

কি লাগি ধন জন, বিষয় সম্পদ

কাক লাগি সাঁচিব লাগে।।

আছে নাম দান পুইন নাই নাম যাব শূইন

তাতে জান কৰিব কবজ।।

এক নামৰ বৃক্ষ ডালি দুই নামৰ চাৰি ঠাৰি

মেৰা লাগি ভৈল ভৰপূৰ।

..................................

নামে নামে ভকতত হৃদয় মাঝে বৈছেতত

নামক নামে কৰে সেও।

গুৰুনাম ৰিদয়ত ধৰি মজনুদিল গৈল মৰি

ব্ৰহ্ম নাম নমথিলে কেও।।[৭৯]

ঙ) নামে নদী-নলা, ব্ৰহ্ম নামে বৈছে জোৰা।

আত্মা নামে বৈ আছে তত।

অধোৱা পুখুৰী খনি তাত উঠে নামৰে ধ্বনি

তাৰ মাজে মাণিকৰ পুতলী।

৭৮. উল্লিখিত, পৃ. ৮১
৭৯. উল্লিখিত, পৃ. ১১১

ব্ৰহ্ম নামে নামৰ গুৰি হৃদয় মাজে আছে জুৰি

ত্ৰিপানীতে খেলি আছে সদা।।[৮০]

চ) ঘোষা— মনুৰাই, মনুৰাই, নাম ল'লে নেহেৰায়,

জুয়েও নোপোৰে, পানীতো নুডুবে,

চোৰেও নিনিয়ে পাই।

ছেখ ফৰিদ এ, খোদাহঁতে খাটনি,

জলৰ নাম নাদে কুঁৰা।

চান্দ সূৰযে উজনি এভাঠি

নিজ নাম গধূলি পুৰা।।[৮১]

ছ) নাম ভাৰ নাম চিন্ত নামক কৰা সাৰ।

ভৱ নদীত খেৰাদি সাগৰ হোৰা পাৰ।।

নাৰৰ হিৰা হিৰি বৈঠাৰ চাৰনী।

ত্ৰিপানী সাগৰৰ ঘাটে পুৰাই ৰজনী।।

নামৰে মঠানি মঠোতে হব লনি।

অভয় চৰণৰ ছাঁয়া নিজ নাম খনি।।

নামক ভাৰ নামক চিন্ত নামক কৰা সাৰ।

নামৰ নৌকাত ভৰা দি সাগৰ হোৰা পাৰ।।[৮২]

অধ্যায়টোৰ সমগ্ৰ আলোচনাই এটা স্পষ্ট সিদ্ধান্তত উপনীত কৰাই যে সমসাময়িক সমাজৰ অজ্ঞতা, ধৰ্মীয়-বিশৃংখলতা, সামাজিক বৈষম্যৰ এক অন্তত্বিকৰ পৰিবেশত শঙ্কৰদেৱে কৌশলপূৰ্ণ দূৰদৰ্শিতাৰে পৰিবেশ্য কলাৰ উপাদান কীৰ্তন-ঘোষাৰ মাজত সংৰোপিত কৰিলে। কীৰ্তন-ঘোষাৰ মনোৰঞ্জনশীল সংগীতময় পৰিবেশনৰীতি লোকসমাজত বহল ভাৱে বিয়পি পৰিল। অসমীয়া লোকগীত-দিহানাম, লোকগীত, বিহুগীত, বিয়ানাম, জিকিৰ-জাৰী আদি সমূহৰ মাজতো কীৰ্তন-ঘোষাৰ সুৰ, ভাৱ-ভাষাৰ গভীৰ প্ৰভাৱ প্ৰত্যক্ষ কৰা হ'ল।

৮০. উল্লিখিত, পৃ. ১১৫

৮১. উল্লিখিত, পৃ. ১২২

৮২. মুহিবুল আলহাজ হুছেইন (সম্পা.), *হজৰত মহম্মদ আজাৰপীৰ,* পৃ. ১৩৮